# প্ৰাথমিক শিক্ষাৰ ডিপ্লমা পাঠ্যসূচী

# (ডি এল এড)

## পাঠ্যসূচী-৫০২

## খণ্ড - ১

ৰাষ্ট্ৰীয় মুক্ত বিদ্যালয় অনুষ্ঠান
A-২৪/২৫, আনুষ্ঠানিক ক্ষেত্ৰ, চেক্টৰ-৬২, নয়ডা
গৌতমবুদ্ধ নগৰ, উত্তৰ প্ৰদেশ - ২০১৩০৯
বেৱচাইট ঃ ডব্লিউ ডব্লিউ ডব্লিউ. এন আই, ও, এচি. ইন

# অধ্যায় ৩ ঃ শিক্ষণ আৰু শিক্ষাদানৰ পদ্ধতিসমূহ

**গাঁথনি ঃ**

৩.০ পৰিচয়

৩.১ শিক্ষণৰ লক্ষণসমূহ

৩.২ শিক্ষণ-শিক্ষাদান প্ৰণালীৰ উপযোগী পদ্ধতিসমূহ

৩.২.১ পদ্ধতিসমূহৰ শ্ৰেণীবিভাজন

৩.৩ নির্দেশনাত্মক পদ্ধতি

৩.৩.১ বক্তৃতা পদ্ধতি

৩.৩.২ প্ৰামাণিক বা প্ৰদৰ্শন পদ্ধতি

৩.৩.৩ আগমন আৰু নিগমন পদ্ধতি

৩.৪ শিক্ষাৰ্থীকেন্দ্ৰিক পদ্ধতি

৩.৪.১ খেলা পদ্ধতি

৩.৪.২ প্ৰকল্প পদ্ধতি

৩.৪.৩ সমস্যা সমাধান পদ্ধতি

৩.৪.৪ অন্বেষণ আৱিষ্কাৰ পদ্ধতি

৩.৫ সামৰণি মাৰো আহক

৩.৬ উত্তৰৰ আৰ্হিত আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক

৩.৭ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগ পুথি

৩.৮ গোট সমাপ্তিৰ অনুশীলনী

# শিক্ষণ আৰু শিক্ষাদানৰ পদ্ধতিসমূহ

**৩.০ পৰিচয় ঃ**

যোৱা গোটত আমি শিক্ষাদান আৰু শিক্ষণ পদ্ধতিসমূহৰ বিভিন্ন ধাৰণা, প্রক্রিয়াৰ বিষয়ে জ্ঞান দিছো। সেইবাবে শিক্ষণ প্রক্রিয়াটো অধিক ফলপ্রসু কৰি তুলিবৰ বাবে তাত কিছুমান পদ্ধতি আৰু প্রক্রিয়া আছে যিটো মিল থকা দেখা যায়। এই গোটটোত শ্রেণীকোঠাত ব্যৱহাৰ কৰা বিভিন্ন পদ্ধতি আৰু প্রক্রিয়াসমূহ আলোচনা কৰা হৈছে, যিবোৰ শিক্ষাদান প্রণালীত সঠিক আৰু ফলপ্রসু হিচাপে পৰিগণিত হ'ব।

এই গোটত থকা পদ্ধতিসমূহ বুজি উঠিবৰ বাবে আমাক সাধাৰণতে ১৪ ঘণ্টা অধ্যয়নৰ প্রয়োজন হ'ব।

**৩.১ শিক্ষণৰ লক্ষ্যসমূহ ঃ**

গোটটো শেষ হোৱাৰ পিছত আমি তলত দিয়া লক্ষ্যত উপনীত হ'ম—

- শিক্ষাদান আৰু শিক্ষণ প্রক্রিয়াত বা পৰিস্থিতিত ব্যৱহাৰ কৰা ফলপ্রসু পদ্ধতিসমূহ তালিকাবদ্ধা কৰা।
- প্রদান কৰা পৰিস্থিতিসমূহৰ পৰা শ্রেণীকোঠাত ব্যৱহাৰ কৰা পদ্ধতিসমূহ বিভাজন কৰা।
- নির্দেশনাত্মক পদ্ধতি আৰু শিক্ষার্থী কেন্দ্রিক পদ্ধতিৰ প্রণালী আৰু স্তৰসমূহ আলোচনা কৰা।
- শিক্ষাদান আৰু শিক্ষণ প্রণালী ফলপ্রসু কৰাৰ কাৰণে ব্যৱহাৰ/গ্রহণ কৰা বিভিন্ন উপযোগী পদ্ধতি।

**৩.২ শিক্ষণ-শিক্ষাদান প্রণালীৰ উপযোগী পদ্ধতিসমূহ ঃ**

তলত এটা উপযুক্ত শৈক্ষিক পৰিস্থিতি ব্যাখ্যা কৰা হৈছে। এই পৰিস্থিতিটো পর্যালোচনা কৰি ইয়াৰ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ দিয়াৰ চেষ্টা কৰা।

পৰিস্থিতি ১ ঃ মহাশয় সুবীৰ এজন বিজ্ঞান শিক্ষক। তেওঁ যোৱা তিনিমাহ ধৰি ষষ্ঠ শ্রেণীত বিজ্ঞান শিকাই আছিল। বিভিন্ন পৰিস্থিতিত, তেওঁ চেষ্টা কৰি তেওঁৰ পাঠটো আগ্রহান্বিত

কৰাৰ চেষ্টা কৰিছিল। তেওঁ বিভিন্ন আচবাব শ্ৰেণী কোঠাত লৈ আহিছিল, বিভিন্ন পৰীক্ষা-নিৰীক্ষা কৰিছিল, শিক্ষাৰ্থীক উৎসাহিত কৰিছিল যাতে সিহঁতে প্ৰাকৃতিক পৰিস্থিতিৰ মাজেৰে আৰু ব্যৱহাৰ কৰা বিভিন্ন কাৰু-কাৰ্যৰ মাজেৰে যাতে ফলদায়কভাৱে শিকিব পাৰে। তেওঁ জানিবৰ কাৰণে চেষ্টা কৰিছিল যে তেওঁৰ চেষ্টাৰ পৰা শিক্ষাৰ্থীসকল লাভাৱান্বিত হৈছে নে নাই। তেওঁ নিশ্চিত নাছিল যে তেওঁ ব্যৱহাৰ কৰা পদ্ধতিবোৰৰ দ্বাৰা শিক্ষাৰ্থীবোৰ লাভাৱান্বিত হৈছে। তেওঁৰ মনত উদ্ভাৱন হোৱা বিভিন্ন প্ৰশ্নসমূহ তলত উল্লেখ কৰা হ'ল—

- তেওঁ সক্ষম হৈছে নে—
  - — শিক্ষাৰ্থীক স্বতঃস্ফূৰ্তভাৱে বিজ্ঞান শিকিবলৈ আগ্ৰহান্বিত কৰা।
  - — ব্যক্তিগত প্ৰয়োজন সমূহ শিক্ষাৰ্থীৰ একত্ৰিত কৰা।
  - — শিক্ষাৰ্থীৰ আত্মবিশ্বাস আৰু আত্মঅনুশাসনৰ বিকাশ কৰা।
  - — শিক্ষাৰ্থীৰ গঠনমূলক চিন্তাধাৰক অনুপ্ৰাণিত কৰা।
  - — শিক্ষাৰ্থীৰ জ্ঞানক একত্ৰিতকৰণ কৰা।
  - — শিক্ষাৰ্থীক শৈক্ষিক প্ৰক্ৰিয়াত যোগদান কৰিবলৈ অনুপ্ৰাণিত কৰা।
- শিক্ষাৰ্থীয়ে কিবা শিকিবলৈ পাৰিবনে?

আমি বিভিন্ন পদ্ধতি শ্ৰেণীকোঠাত ব্যৱহাৰ কৰো। প্ৰত্যেক পদ্ধতিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি, সদ্যহতে ব্যৱহাৰ কৰা পদ্ধতিয়ে ওপৰৰ প্ৰশ্নসমূহত প্ৰতিফলন কৰিছে নে নাই আৰু নিজৰ শিক্ষণৰ ফলপ্ৰসূতা বিচাৰ কৰা। এইটোৱে আমাক উপযুক্ত শিক্ষাদান আৰু শিক্ষণ পদ্ধতিৰ বৈশিষ্ট্যসমূহ আগবঢ়োৱাত সহায় কৰিব, সেইবোৰ তলত উল্লেখ কৰা হ'ল—

- শিক্ষাৰ্থীসকলৰ মাজত আগ্ৰহৰ সৃষ্টি কৰা যাতে তেওঁলোকৰ শিক্ষাদান আৰু শিক্ষণ প্ৰণালীত ভালদৰে যোগদান কৰিব পাৰে আৰু শিকিব পাৰে।
- শিক্ষাৰ্থীৰ মানসিক যোগ্যতা আৰু প্ৰয়োজন সন্মিলিত কৰা।
- দল শিক্ষণৰ অভিজ্ঞতাক প্ৰস্ফূতিত কৰা।
- দল শিক্ষাৰ ধাৰণা প্ৰদান কৰা।
- কৰ্মৰ দ্বাৰা শিক্ষণৰ ধাৰণা প্ৰদান কৰা।
- শিক্ষাৰ্থীক স্বাধীনভাৱে চিন্তা কৰাৰ প্ৰেৰণা দিয়া আৰু নিজৰ জ্ঞানক গঠনমূলক ধাৰণা প্ৰদান কৰা।
- শিক্ষাৰ্থীৰ সৃজনাত্মক প্ৰতিভাৰ বিকাশ কৰা।
- শিক্ষাৰ্থীৰ জীৱন দক্ষতাৰ বিকাশৰ ধাৰণা প্ৰদান কৰা।

- নমনীয়তা ঃ একপক্ষীয় পদ্ধতি ব্যৱহাৰ কৰাৰ পৰিবৰ্তে শিক্ষণৰ বিষয়বস্তুত, বিভিন্ন পদ্ধতি ব্যৱহাৰ কৰা হয় শিক্ষণ-শিকন প্ৰক্ৰিয়াত।
- অৰ্থনৈতিক/কমখৰচী।

**৩.২.১ পদ্ধতিসমূহৰ শ্ৰেণীবিভাজন ঃ**

দুটা বিভিন্ন শ্ৰেণী পৰিস্থিতি ব্যাখ্যা কৰা হ'ল

**পৰিস্থিতি ২**

মহাশয় ৰমেশে বিজ্ঞান শিকায় তৃতীয় শ্ৰেণীৰ। বিষয়টো আছিল "পানী প্ৰদূষণ"। শিক্ষাৰ্থীবোৰ শাৰী শাৰীকৈ শ্ৰেণীকক্ষত বহি আছিল। মহাশয় ৰমেশে ছাত্ৰ-ছাত্ৰীৰ সন্মুখত থিয় হৈ পানী প্ৰদূষণৰ কাৰণবোৰ ব্যাখ্যা কৰিছিল। ব্যাখ্যা কৰোঁতে, তেওঁ বিভিন্ন চিত্ৰ যিবোৰে পানী প্ৰদূষণৰ বিভিন্ন উৎসসমূহ প্ৰদৰ্শন কৰে সেইবোৰ দেখাইছিল। তেওঁ চেষ্টা কৰা নাছিল যে শিক্ষাৰ্থীয়ে সেইবোৰ বুজিবলৈ সক্ষম হৈছে নে নাই। তেতিয়া তেওঁ কিছুমান প্ৰশ্ন সুধিছিল শিক্ষাৰ্থীক। কিছুমানে প্ৰশ্নৰ উত্তৰ দিবলৈ সক্ষম হৈছিল। অৱশেষত তেওঁ শিক্ষাৰ্থীসকলক পাঠ্যপুথিৰ অনুশীলনৰ পৰা ঘৰুৱা কাৰ্য প্ৰদান কৰিছিল।

**পৰিস্থিতি ৩**

মহোদয়া সৰিতা একে বিষয়টোৱে আন এটা শ্ৰেণী কোঠাত বেলেগে পদ্ধতিৰে বা দিশেৰে শিকাইছিল। তেওঁ প্ৰত্যেক শিক্ষাৰ্থীক বিভিন্ন দলত ভাগ কৰিছিল আৰু প্ৰত্যেক দলকে গোট হিচাপে বৃত্তাকাৰে বহিবলৈ কৈছিল। তেওঁ প্ৰত্যেক দলকে পানী প্ৰদূষণৰ সৃষ্টি কৰা বিভিন্ন কাৰকসমূহৰ চিত্ৰসমূহ চাই তাৰ পৰা পানী প্ৰদূষণৰ কাৰণসমূহ শিক্ষাৰ্থীৰ দলৰ মাজত আলোচনা কৰি লিখিবলৈ নিৰ্দেশ দিছিল। মহোদয়া সৰিতায়ে লক্ষ্য কৰিছিল যে প্ৰত্যেক শিক্ষাৰ্থীয়ে আলোচনা চক্ৰত যোগদান কৰিছে নে নাই। তেতিয়া প্ৰত্যেক দলৰ নেতাজনে যুক্তিটো প্ৰদৰ্শন কৰিছিল। যেতিয়া এটা দলে নিজৰ যুক্তি প্ৰদৰ্শন কৰিছিল, তেতিয়া বেলেগ দলটোৱে শুনিছিল আৰু পিছত নিজৰ মন্তব্য প্ৰদান কৰিছিল। অৱশেষত মহোদয়া সৰিতায়ে আলোচনাটো শিক্ষাৰ্থীৰ সহায়ত শেষ কৰিছিল।

শিক্ষক আৰু শিক্ষাৰ্থীৰ দুয়োটা পৰিস্থিতিতে ভূমিকা ব্যাখ্যা কৰা।

| পৰিস্থিতি ২ | | পৰিস্থিতি ৩ | |
|---|---|---|---|
| শিক্ষকৰ ভূমিকা | শিক্ষাৰ্থীৰ ভূমিকা | শিক্ষকৰ ভূমিকা | শিক্ষাৰ্থীৰ ভূমিকা |
| | | | |

এতিয়া তলত দিয়া প্ৰশ্নৰ উত্তৰ দিয়া।

- কোনটো পৰিস্থিতিত শিক্ষকৰ যোগদান বেছিকৈ প্ৰস্ফূতিত হৈছে?
- কোনটো পৰিস্থিতিত শিক্ষাৰ্থীৰ যোগদান বেছিকৈ অনুপ্ৰেৰণামূলক?

প্ৰথম পৰিস্থিতিত শিক্ষকে গোটেই বিষয়টো ভালদৰে প্ৰদৰ্শন কৰিছিল, শিক্ষাদানৰ বিভিন্ন সঁজুলিসমূহ ব্যৱহাৰ কৰি যেনে ঃ চিত্ৰ, প্ৰশ্ন সোধা ইত্যাদি, আনহাতে দ্বিতীয় পৰিস্থিতিত শিক্ষকে শিক্ষণৰ নিৰ্দেশক হিচাপে কাম কৰিছে। তেওঁ শিক্ষাৰ্থীক তেওঁলোকৰ প্ৰয়োজন মতে নিৰ্দেশনা আৰু সহায় প্ৰদান কৰিছে। শিক্ষাৰ্থীয়ে সজাগভাৱে শিক্ষণ প্ৰণালীত অংশগ্ৰহণ কৰিছে।

সেইবাবে, শিক্ষক আৰু শিক্ষাৰ্থীৰ শিক্ষণ প্ৰক্ৰিয়াত ভূমিকাৰ ওপৰত ভিত্তি কৰি পদ্ধতিসমূহক দুটা ভাগত ভাগ কৰা হৈছে যেনে ঃ নিৰ্দেশাত্মক পদ্ধতি আৰু শিক্ষাৰ্থীকেন্দ্ৰিক পদ্ধতি। প্ৰথম পৰিস্থিতিটো নিৰ্দেশনাত্মক পদ্ধতিৰ উদাহৰণ আৰু দ্বিতীয় পৰিস্থিতিটো শিক্ষাৰ্থীকেন্দ্ৰিক পদ্ধতিৰ উদাহৰণ। পিছলৈ এই দুয়োটা পদ্ধতি তলত দিয়া চিত্ৰটোৰ সহায়ত শ্ৰেণী বিভাজন কৰা হৈছে।




**চিত্ৰ ঃ ৩.১**

### ৩.৩ নিৰ্দেশনাত্মক পদ্ধতি ঃ

আমি প্ৰত্যেকে নিৰ্দেশনাত্মক পদ্ধতিৰ বিষয়ে জানো কাৰণ আমি শিক্ষাৰ্থীক শিকাওতে এই পদ্ধতিৰ বিষয়ে অভিজ্ঞতা পাওঁ শ্ৰেণী কক্ষতে। এই পদ্ধতি আমাৰ কাৰণে সৰ্বসাধাৰণৰ মাজে মাজে আমি নীতি, ধাৰণা, তথবোৰ ব্যাখ্যা কৰোঁ। মাজে-সময়ে প্ৰামাণিকৰণৰ দ্বাৰা চিত্ৰ, তালিকা, মডেল আৰু পৰীক্ষাৰ দ্বাৰা আৰু মাজে মাজে শিক্ষাৰ্থীক মৌখিক বা লিখিতভাৱে প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ বিচৰা হয়। এই পদ্ধতিত এজন শিক্ষকে শিক্ষণ আৰু শিক্ষাদান প্ৰণালীত বেছি জাগ্ৰত হয় আৰু শিক্ষাৰ্থীসকলক সুপ্ত অৱস্থাত থাকে আৰু লগতে সীমিতভাৱে নিৰ্দেশনা প্ৰদান কৰে। এই নিৰ্দেশনা পদ্ধতিৰ উদাহৰণসমূহ হ'ল—

বক্তৃতা পদ্ধতি, আগমন-নিগমন পদ্ধতি, আলোচনা পদ্ধতি, বক্তৃতা প্ৰামানিকৰণ পদ্ধতি।

#### ৩.৩.১ বক্তৃতা পদ্ধতি ঃ

তলত দিয়া পৰিস্থিতি অধ্যয়ন কৰা।

**পৰিস্থিতি ৪ ঃ**

লিলিমা বিজ্ঞান শিকোৱা বিষয়টো হ'ল— "আমাৰ খাদ্য" চতুৰ্থ শ্ৰেণীৰ। তেওঁ আমি খোৱা বিভিন্ন খাদ্যবস্তু আৰু তাৰ উপাদানসমূহ ব্যাখ্যা কৰে। তেওঁ মুখ্য দিশসমূহ যেনে ঃ প্ৰ'টিন, কাৰ্ব'হাইড্ৰেট, আৰু মেদ আদি ব'ৰ্ডত লিখি দিয়ে। শিক্ষাৰ্থীসকলে মনোযোগেৰে শুনিছিল আৰু ব'ৰ্ডত লিখা মুখ্য দিশবোৰ লিখি লৈছিল। বিষয়টো বুজোৱা শেষ হোৱাৰ পিছত তেওঁ শিক্ষাৰ্থীক প্ৰশ্ন সুধিছিল। কিছুমানে প্ৰশ্নৰ উত্তৰ দিছিল আৰু কিছুমানে মনে মনে আছিল। তেওঁ শিক্ষাৰ্থীয়ে দিয়া ভুল প্ৰশ্নৰ উত্তৰবোৰ শুদ্ধ কৰি দিছিল আৰু যিবিলাক শিক্ষাৰ্থীয়ে শুদ্ধ উত্তৰ দিছিল তেওঁলোকক আশ্বাস দিছিল।

কি পদ্ধতি লিলিমাই ব্যৱহাৰ কৰিছিল?

তেওঁ বক্তৃতা পদ্ধতি ব্যৱহাৰ কৰিছিল।

এজন শিক্ষাৰ্থী হিচাপে এনেকুৱা অভিজ্ঞতা স্কুল আৰু কলেজত অনুভৱ কৰা হয়। এজন শিক্ষক হিচাপেও আমিও এনেকুৱা শ্ৰেণীকোঠাত অভিজ্ঞতা শিক্ষাৰ্থীক শিকাওঁতে এই পদ্ধতি ব্যৱহাৰ কৰা হয়। তোমাৰ অভিজ্ঞতা শ্ৰেণীকক্ষত শিক্ষক এজনে শিক্ষাৰ্থীক শিকাওতে বক্তৃতা পদ্ধতিৰ দ্বাৰা কাৰ্য্য তালিকাভূক্ত কৰা।

১.——————————————————

২.——————————————————

৩.——————————————————

বক্তৃতা পদ্ধতিৰ বৈশিষ্ট্য ঃ

- শিক্ষকে এটা বিষয়ত এটা নিৰ্দিষ্ট সময়ত বক্তৃতা প্ৰদান কৰে এটা শ্ৰেণীকোঠাত।
- শিক্ষকে, অনুসন্ধান, ধাৰণা, তথ্য, তত্ত্ব, নীতি আইন, আদি প্ৰদান কৰে।
- মাজে মাজে তেওঁ ব্লেকবোৰ্ড ব্যৱহাৰ কৰে বক্তৃতা প্ৰদান কৰাৰ ক্ষেত্ৰত আৰু প্ৰশ্ন সোধে শিক্ষাৰ্থীক।
- শিক্ষাৰ্থীয়ে মনে মনে শুনে। সিহঁতে বক্তৃতাৰ মাজে মাজে শিক্ষকে দিয়া তথ্যসমূহ উপস্থাপন কৰে আৰু মাজতে সোধা প্ৰশ্নৰ উত্তৰ দিয়ে।
- এটা পক্ষতে শিক্ষকে অনিচ্ছাকৃতভাৱেও শিক্ষাৰ্থীক বহুতো তথ্য প্ৰদান কৰে শিক্ষাৰ্থীয়ে গ্ৰহণ কৰিব নোৱাৰা সত্বেও, এই পদ্ধতিটোৱে শিক্ষাৰ্থীক আগুৱাই নিয়াৰ সঠিক সিদ্ধান্ত প্ৰদান কৰে। শিক্ষকে নিজৰ গতি হিচাপত বিষয়বস্তু প্ৰদান কৰে।
- বিষয়টো এটা গোট হিচাপত প্ৰদান কৰা হ'ব আৰু শিক্ষাৰ্থীয়ে শুনে আৰু মুখস্থকৰণ কৰে।

**কাৰ্য ঃ** বক্তৃতা পদ্ধতিৰ দোষ আৰু গুণসমূহ লিখা। এই বিষয়টোৱে নিজৰ লগৰ শিক্ষাৰ্থী আৰু নিৰ্দেশকৰ লগত আলোচনা কৰা অধ্যয়ন কেন্দ্ৰত অধ্যয়ন কৰা।

### ৩.৩.২ প্ৰামাণিক বা প্ৰদৰ্শন পদ্ধতি ঃ

এটা বিজ্ঞান পৰীক্ষাগাৰৰ শ্ৰেণীকোঠাৰ পৰিস্থিতি পুনস্মৰণ কৰা আৰু নিজৰ কাৰ্যসমূহ আৰম্ভণিৰ পৰা শেষলৈকে লিখা ——————————————————————————

——————————————————————————————————————

এইটো প্ৰমাণযোগ্য যে কিছুমান পৰীক্ষা কিছুমান সা-সৰঞ্জাম আৰু আচবাবৰ দ্বাৰা অনুসংগক্ৰমে শিক্ষাৰ্থীৰ লগত প্ৰমাণিকৰণ কৰা হয়।

এজন শিক্ষক হিচাপে বিভিন্ন সাধাৰণ পৰীক্ষা যিবোৰ প্ৰাথমিক পৰ্যায়ত দিয়া এখন বিজ্ঞান পাঠ্যপুথিত থাকে বা প্ৰদান কৰা হয় তাক জনা উচিত। এই পৰীক্ষাবোৰ শ্ৰেণীকক্ষত কৰা হয় আৰু অনুক্ৰমে ব্যাখ্যা কৰা হয়। এই শিক্ষণ প্ৰক্ৰিয়াক “প্ৰদৰ্শন পদ্ধতি” নাইবা “প্ৰদৰ্শন আলোচনা পদ্ধতি” নাইবা “বক্তৃতা প্ৰদৰ্শন পদ্ধতি”।

প্ৰদৰ্শন পদ্ধতি এটা শিক্ষক কেন্দ্ৰীক পদ্ধতি। কাৰণ শিক্ষকে চিত্ৰ/তালিকা/আৰ্হি/পৰীক্ষা আৰু নীতি, ধাৰণা যিবোৰ প্ৰদৰ্শিত আচবাবত আৰু প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত সেইবোৰ ব্যাখ্যা কৰা হয়। শিক্ষাৰ্থীয়ে শিক্ষকে প্ৰদৰ্শন কৰা তথ্যসমূহ নিৰীক্ষণ কৰে আৰু কিছুমানে শিক্ষকে সোধা প্ৰশ্নসমূহৰ উত্তৰ দিয়াত অংশগ্ৰহণ কৰে আৰু সামৰণি প্ৰদান কৰে।

**পৰিস্থিতি ৫ ঃ**

মহাশয়া শীলা এগৰাকী বিজ্ঞান শিক্ষয়িত্ৰী, তেওঁ পঞ্চম শ্ৰেণীত “শিপাৰ দ্বাৰা পানী শোষণ” বিষয়টো শিকাইছিল। তেওঁ এটা সাধাৰণ পৰীক্ষা সম্পাদন কৰা কথা ভাবিছিল আৰু প্ৰয়োজনীয় সামগ্ৰীসমূহ সংগ্ৰহ কৰিছিল। যেনে ঃ ফুলৰ পাহি, গ্লাছৰ নলী, নলীত পানী আৰু পানী ৰঙীন কৰা সামগ্ৰী। তেওঁ পৰীক্ষাটোত ফুল গছৰ শিপা ৰঙা ৰঙৰ পানীত গ্লাছৰ নলীত ডুবাই ৰাখিছিল। তেওঁ পৰীক্ষাটো অনুক্ৰমে ব্যাখ্যা কৰিছিল। পৰীক্ষা কাৰ্যটো চলি থকা সময়ত তেওঁ কিছুমান মূল শব্দ ব’ৰ্ডত লিখিছিল আৰু পৰীক্ষাৰ চিত্ৰবোৰ নামাকৰণ কৰা হৈছিল। তেওঁ তেতিয়া শিক্ষৰ্থীসকলক সুধিছিল যে তেওঁলোকে শিপা ৰঙা ৰঙৰ পানীত ডুবাই ৰখাৰ পাছত কি নিৰীক্ষণ কৰিলে। অলপ সময় পাছত আৰু অৱশেষত তেওঁলোকে পৰীক্ষাৰ সামৰণিত কি পালে।

**কাৰ্য ২ ঃ** ওপৰোক্ত উদাহৰণৰ পৰা বক্তৃতা প্ৰদৰ্শন পদ্ধতিৰ অন্তভুৰ্ক্ত স্তৰবোৰ তালিকাভুক্ত কৰা। তোমাৰ মতে ভাল প্ৰামাণিকৰণৰ চৰ্তসমূহ শ্ৰেণীকোঠাত কি হোৱা উচিত।

প্ৰদৰ্শন পদ্ধতিৰ স্তৰসমূহ—

(ক) পৰিকল্পনা

(খ) আৰম্ভণি

(গ) প্ৰামাণিকৰণ

(ঘ) ব্লেকবোর্ডৰ ব্যৱহাৰ

(ঙ) ধাৰণা সম্পূৰ্ণকৰণ।

সফল প্ৰামাণিকৰণৰ কাৰণে, কিছুমান চৰ্ত প্ৰত্যেকটো স্তৰতে অনুকৰণ কৰাৰ দৰকাৰ।

— পাঠটো এই পদ্ধতিৰ বাবে উপযুক্ত হোৱাটো নিশ্চিতকৰণ কৰা।

— প্ৰামাণিকৰণৰ কাৰণে দৰকাৰী সঁজুলি, সা-সৰঞ্জাম আৰু আচবাববোৰ আহৰণ কৰা।

— প্ৰামাণিকৰণৰ আগত পৰীক্ষাটোৰ আখৰা তৈয়াৰ কৰা যাতে শ্ৰেণীকক্ষত শিক্ষাৰ্থীৰ আত্মবিশ্বাস গঢ়ি তোলাত সহায়ক হয়।

— ব্যাখ্যাকৃত তথ্য আৰু প্ৰশ্নৰ সৈতে প্ৰস্তুত থকা প্ৰামাণিকৰণৰ আগত আৰু পিছত।

**আৰম্ভণি**

— শিক্ষাৰ্থীসমূহক পৰীক্ষাটো পুনঃপটীয়াকৈ নিৰীক্ষণ কৰাৰ বাবে তেওঁলোকৰ মনত আগ্ৰহ সৃষ্টি কৰি অভিৰোচিত কৰা আৰু প্ৰামাণিকৰণৰ পিছত সৃষ্টি হোৱা নতুন ধাৰণা গ্ৰহণত সহায় কৰা।

— এটা পাঠক 'সমস্যা' বা কাৰণ হিচাপে আৰম্ভ কৰা, যাতে শিক্ষাৰ্থীয়ে পাঠটোৰ গুৰুত্ব ভালদৰে বুজিব পাৰে।

**প্ৰামাণিকৰণ ঃ**

— শিক্ষাৰ্থীৰ মনত প্ৰামাণিকৰণৰ সময়ত কৌতূহল প্ৰৱণতা জাগ্ৰত ৰখা।

— শিক্ষাৰ্থীয়ে যাতে প্ৰামাণিকৰণৰ ফালে যাব পাৰে তাৰ বাবে সতৰ্ক কৰা।

— প্ৰামাণিকৰণ আৰু জীৱন অভিজ্ঞতাক শিক্ষাৰ্থীৰ বাবে সম্পৰ্কযুক্ত কৰা।

— সা-সৰঞ্জামসমূহ সাৱধানে ব্যৱহাৰ কৰা আৰু সিহঁতৰ প্ৰামাণিকৰণৰ কাৰণে উপযুক্ত স্থানত সজাই ৰখা।

**ব্লেকব'ৰ্ডৰ ব্যৱহাৰ ঃ**

— লক্ষ্য আৰু উদ্দেশ্যসমূহ স্পষ্টকৈ ব'ৰ্ডত লিখি দিয়া হয় যাতে শিক্ষাৰ্থীয়ে ভালদৰে প্ৰামাণিকৰণৰ গুৰুত্ব বুজিব পাৰে।

— সমসাময়িক চিত্ৰবোৰ অংকন কৰা আৰু প্ৰামাণিকৰণৰ মূল তথ্যবোৰ আৰু ফলাফলবোৰ বোৰ্ডত উপস্থাপন কৰা হয়।

— শিক্ষাৰ্থীক মূল যুক্তিবোৰ, চিত্ৰবোৰ অংকন আৰু অৱশেষত ফলাফলবোৰ তেওঁলোকক বহীত তুকিবলৈ দিয়া হয়।

— শিক্ষাৰ্থীৰ বহীবোৰ লিখি থাকোঁতে বিচাৰকৰণ কৰা।

ওপৰোক্ত যুক্তিবোৰৰ পিছতো, তলত দিয়া ধাৰণাকেইটাৰ ওপৰতো গুৰুত্ব দিয়াৰ প্ৰয়োজন—

— শিক্ষাৰ্থীক প্ৰামাণিকৰণৰ উদ্দেশ্যসমূহৰ বিষয়ে অৱগত কৰোৱা কিন্তু আগন্তুক ফলাফলৰ পৰা বিৰত ৰখা।

— শিক্ষাৰ্থীৰ পৰা পৰীক্ষাটো প্ৰস্তুত কৰা আৰু চলোৱাত সহায় বিচৰা। প্ৰামাণিকৰণ উন্নত হয় যেতিয়া শিক্ষক আৰু শিক্ষাৰ্থী উভয়ে জাগ্ৰতভাৱে অংশগ্ৰহণ কৰে।

— সা-সৰঞ্জামসমূহ ব্যৱহাৰ আৰু সজোৱাত ভালদৰে সাৱধান হোৱা যাতে প্ৰামাণিকৰণ কৰোঁতে শিক্ষাৰ্থীয়ে স্পষ্টকৈ নিৰীক্ষণ কৰিব পাৰে।

— প্ৰামাণিকৰণ যাতে শ্ৰেণীত থকা প্ৰত্যেকটো শিক্ষাৰ্থীৰ বাবে দৃশ্যমান যোগ্য হয় তাৰ প্ৰতি লক্ষ্য ৰখা।

— প্ৰামাণিকৰণ যাতে সকলোৰে বাবে সাধাৰণ আৰু ছাত্ৰ-ছাত্ৰীৰ মানসিক যোগ্যতাৰ ওপৰত ভিত্তি কৰি হয়।

— প্ৰামাণিকৰণক অধিক বাস্তৱসংগত বনাবৰ বাবে আন শিক্ষণ সঁজুলিৰো ব্যৱহাৰ কৰা।

— শিক্ষাৰ্থীক আগ্ৰহান্বিত কৰিবলৈ উপযুক্ত প্ৰশ্ন উত্থাপন কৰা।

তলত দিয়া প্ৰশ্নৰ উত্তৰ দিয়াৰ আগত চিন্তা কৰা—

1. কি পৰিস্থিতিত প্ৰদৰ্শন পদ্ধতি উপযুক্ত?

প্ৰদৰ্শন পদ্ধতিৰ উপযোগিতা ঃ

প্ৰদৰ্শন পদ্ধতি এটা আটাইতকৈ গুৰুত্বপূৰ্ণ পদ্ধতি শিক্ষণ প্ৰক্ৰিয়াত ইয়াৰ বহুমুখী উপযোগীতাৰ বাবে—

- এইটো অৰ্থনৈতিক। শিক্ষক প্ৰদৰ্শক হিচাপে, এইটো বেছি অৰ্থনৈতিক আৰু সময় ব্যয়ী।
- শিক্ষকে পৰীক্ষা কৰাৰ সময়ত গোটেই ধাৰণা ব্যাখ্যা কৰে বাবে শিক্ষাৰ্থীয়ে স্পষ্টকৈ গোটেই পাঠৰ ধাৰণা বুজি উঠিব পাৰে।
- প্ৰামাণিকৰণৰ সময়ত শিক্ষাৰ্থীৰ মনত থকা সন্দেহসমূহ শিক্ষকে মুহূৰ্ততে স্পষ্ট কৰি দিব পাৰে।
- প্ৰামাণিকৰণৰ সময়ত শিক্ষাৰ্থীয়ে তলত দিয়া তথ্যবোৰ চোৱাৰ সুবিধা পায়।
  - নিৰীক্ষণ
  - তথ্য গঠন
  - প্ৰশ্ন সোধা
  - চিত্ৰ অংকন
  - পৰীক্ষাত অন্তৰ্ভূক্তিকৰণ।

- এই প্ৰক্ৰিয়াই শিক্ষাৰ্থীৰ মনৰ পৰা অমনোযোগিতা নোহোৰা কৰে আৰু শিক্ষণ প্ৰক্ৰিয়া ফলপ্ৰসূ কৰি শিক্ষাৰ্থীৰ মনত আগ্ৰহ বৰ্তাই ৰখাত সহায় কৰে।
- শিক্ষণক উৎসাহিত কৰে আৰু শিক্ষাৰ্থীৰ আগ্ৰহ বৰ্তাই ৰখাত সহায় কৰে।

**কাৰ্য— ৩**

(a) প্ৰাথমিক পৰ্যায়ৰ বিজ্ঞানৰ যিকোনো কিতাপ এখন পৰ্যালোচনা কৰা আৰু বক্তৃতা প্ৰামাণিকৰণ পদ্ধতি ফলপ্ৰসু কৰিবলৈ ধাৰণাসমূহ তালিকাভুক্ত কৰা।

(b) তালিকাভুক্তকৰণ কৰা তথ্যৰ পৰা যিকোনো এটা ধাৰণা নাইবা চমু ধাৰণাসমূহ এই পদ্ধতিৰ দ্বাৰা কেনেকৈ ব্যাখ্যা কৰিব পাৰিবা তাৰ বিষয়ে শিকোৱা।

**৩.৩.৩ আগমন আৰু নিগমন পদ্ধতি ঃ**

আমি প্ৰত্যেকে স্কুলত কিছুমান সাধাৰণ বীজগণিতীয় যুক্তি শিকো। কিছুমান যুক্তি তোমালোকৰ মনত আছেনে? তলত দিয়া কিছুমান যুক্তি তুমি চোৱা আৰু নিজৰ মনত থকা কিছুমান যুক্তি তালিকাত সন্নিৱিষ্ট কৰা।

- বৰ্গক্ষেত্ৰৰ সীমা নিৰ্ধাৰণৰ বাবে ব্যৱহাৰ কৰা যুক্তিটো হ'ল ২ (a+b) য'ত a আৰু b য়ে বৰ্গক্ষেত্ৰৰ দৈৰ্ঘ্য আৰু প্ৰস্থ বুজায়।
- কোণৰ জোখবোৰৰ যোগফল এটা ত্ৰিভুজৰ দুটা সোঁকোণৰ জোখৰ সমান।
- V = S/t য'ত V = গতি, S = দূৰত্ব আগুৰে, t = সময়ে, দূৰত্ব আগুৰে।

এজন শিক্ষক হিচাপে তুমি আৰু তোমাৰ সহকৰ্মীবোৰে এই সূত্ৰবোৰ প্ৰাথমিক শিক্ষাৰ শ্ৰেণী কোঠাত ব্যৱহাৰ কৰে। তুমি কেনেকৈ সূত্ৰবোৰ শিকোৱা? তোমাৰ সহকৰ্মীসকলে অংকৰ সূত্ৰবোৰ কেনেদৰে শ্ৰেণীত শিকায় অন্বেষণ কৰা।

কিছুমান পদ্ধতিৰ দ্বাৰা এই সূত্ৰ/নিয়ম/নীতিবোৰ শিকোৱা হয়। এই পদ্ধতিবোৰ উদাহৰণৰ সৈতে ব্যাখ্যা কৰা হ'ল।

তলত এটা শ্ৰেণীৰ পৰিস্থিতি দেখুওৱা হৈছে।

**পৰিস্থিতি ৬ ঃ** মহাশয় মনোজে ষষ্ঠ শ্ৰেণীত অংক শিকায়। এদিন তেওঁ এটা জ্যামিতিক ধাৰণা শিকালে যে "যদি ত্ৰিভুজৰ দুটা দিশ সমান হয় তেন্তে ইয়াৰ বিপৰীত কোণ দুটাও সমান হ'ব।" প্ৰথমতে তেওঁ প্ৰত্যেক শিক্ষাৰ্থীসকলক বহীত তিনিটা ত্ৰিভুজ ABC অংকন কৰিব দিলে, য'ত AB = AC। প্ৰথম ত্ৰিভুজটো AB = AC = ৬ ছেঃ মিঃ, দ্বিতীয় ত্ৰিভুজত AB = AC = ৮ ছেঃ মিঃ আৰু AB = AC = ১০ ছেঃ মিঃ। শিক্ষাৰ্থীসকলক বিপৰীত দিশত থকা সমান কোণবোৰৰ প্ৰত্যেক ত্ৰিভুজবোৰ জুখিবলৈ কোৱা হৈছিল আৰু জোখবোৰ প্ৰত্যেকটো কোণতে তলত দিয়া টেবুলখনত লিখিবলৈ দিয়া হৈছিল।

| ত্ৰিভুজৰ নাম | B কোণ | C কোণ | মন্তব্য |
|---|---|---|---|
| প্ৰথম ত্ৰিভুজ ABC | | | |
| দ্বিতীয় ত্ৰিভুজ 'A' 'B' 'C' | | | |
| তৃতীয় ত্ৰিভুজ | | | |

শিক্ষাৰ্থীয়ে পৰিমাপন কৰাৰ পিচত গম পালে যে সমান দিশৰ বিপৰীত কোণবোৰ প্ৰত্যেক ত্ৰিভুজৰ সমান। ইয়াৰ পৰা স্পষ্ট হয় যে যদি ত্ৰিভুজৰ দুটা দিশৰ দৈৰ্ঘৰ সমান হয় তেন্তে সিহঁতৰ বিপৰীত দিশত থকা কোণৰ মাপ সমান।

এই পদ্ধতি যিটোৰ দ্বাৰা মহাশয় মনোজে গাণিতিক ধাৰণা প্ৰদান কৰিলে তাক আগমন পদ্ধতি বুলি কোৱা হয়। এই পদ্ধতিত এজনে বিশেষৰ পৰা সাধাৰণৰলৈ সামৰণি পায়। এটা সূত্ৰ অথবা সৰ্বসাধাৰণলৈ উপস্থিত হয় একে চৰ্ত আৰু উপাদান চিনাক্তকৰণ কৰাৰ পিছতহে আৰু সমিলমিলকৰণৰ সাধাৰণ তথ্যৰ বলত।

ওপৰোক্ত উদাহৰণত সমিলমিলকৰণৰ উপাদানবোৰে বিপৰীত কোণত থকা ত্ৰিভুজৰ আৰু ত্ৰিভুজৰ চৰ্তবোৰ আৰু বিপৰীত কোণত দুটা দিশৰ দৈৰ্ঘ্য সমান দেখুৱাইছে।

আকৌ আন এটা পৰিস্থিতি চোৱা হ'ল—

**পৰিস্থিতি ৭ ঃ** মহাশয়া মীনা একে ধাৰণা মহাশয় মনোজে পঢ়োৱা জ্যামিতিৰ শিকাইছিল। প্ৰথমতে তেওঁ গাণিতিক সম্পৰ্ক ব্যাখ্যা কৰিছিল। “যদি ত্ৰিভুজৰ দুটা দিশ সমান হয় তেন্তে তাৰ বিপৰীত কোণ দুটাও সমান হয়” তাৰ পাছত তেওঁ দুটা বিপৰীত কোণৰ পৰিমাপনৰ জোখ আৰু সমান দিশৰ ত্ৰিভুজৰ কোণৰ সম্পৰ্ক উদাহৰণৰ সৈতে ব্যাখ্যা কৰে। যেতিয়া শিক্ষাৰ্থীসকলে ধাৰণা পায় সম্পৰ্কৰ তেতিয়া তেওঁ শিক্ষাৰ্থীসকলক কিছুমান সমস্যা প্ৰদান কৰে যাতে তেওঁলোকে সম্পৰ্কৰ দিয়া ধাৰণাৰ দ্বাৰা সমাধান কৰিব পাৰে।

(১) যদি ত্ৰিভুজ ABC, AB = AC আৰু $\angle A$ = ৭০° তেন্তে $\angle B$ আৰু $\angle C$ ৰ মান উলিওৱা।

(২) যদি ত্ৰিভুজ PQR, PQ = PR আৰু $\angle Q$ = ৬৫° তেন্তে $\angle P$ আৰু $\angle R$ ৰ মান উলিওৱা।

শিক্ষাৰ্থীসকলে সূত্ৰ প্ৰয়োগ কৰি সমস্যা সমাধান কৰে।

এই পদ্ধতি যিটো মীনাই প্ৰয়োগ কৰিছিল তাক নিগমন পদ্ধতি বুলি কোৱা হয়।

এই পদ্ধতিত, শিক্ষকে প্ৰতিষ্ঠিত সূত্ৰ, নীতি আৰু সৰ্বসাধাৰণ তথ্য সমস্যা সমাধানৰ বাবে ব্যৱহাৰ কৰে। শিক্ষাৰ্থীসকলে সাধাৰণৰ পৰা বিশেষলৈ গমন কৰে, মূৰ্তৰ পৰা অমূৰ্তলৈ। আন অৰ্থত তথ্যসমূহ বিশ্লেষণ বা কমোৱা হয়। প্ৰতিষ্ঠিত সূত্ৰৰ প্ৰয়োগৰ দ্বাৰা। সেইবাবে সূত্ৰবোৰ শিক্ষাৰ্থীয়ে প্ৰতিষ্ঠিত কৰা তথ্যৰ দ্বাৰা গ্ৰহণযোগ্য।

**কাৰ্য ৪ ঃ** যিকোনো এটা প্ৰাথমিক গাণিতিক ধাৰণা পাঠ্যপুথিৰ পৰা বাছি লোৱা আৰু আগমন আৰু নিগমন পদ্ধতিৰ দ্বাৰা কিদৰে তাক শিকোৱা হয় ব্যাখ্যা কৰা।

আৰম্ভ কৰাৰ আগত তলত দিয়া প্ৰশ্নৰ উত্তৰ দিয়া

E ২ ঃ আগমন আৰু নিগমন পদ্ধতিৰ পাৰ্থক্য ব্যাখ্যা কৰা।

E ৩ ঃ কিছুমান আগমন আৰু নিগমন পদ্ধতিৰ বিষয়ে তলত ধাৰণা প্ৰদান কৰা হৈছে। তলত দিয়া উক্তিসমূহ ভালকৈ পঢ়া আৰু আগমন পদ্ধতি হ'লে 'ক' আৰু নিগমন পদ্ধতি হ'লে 'খ' বুলি উক্তিটোৰ বিপৰীতে লিখা।

(ক) ই আৰম্ভ হয় সূত্ৰ/নীতি/ধাৰণা ইত্যাদিৰ দ্বাৰা আৰু শেষ হয় সমস্যাৰ সমাধানৰ পিছত।

(খ) ই উদাহৰণৰ লগত আৰম্ভ হয় আৰু সূত্ৰ/নীতি আৰু ধাৰণাত শেষ হয়।

(গ) ই প্ৰকৃত নিৰীক্ষণ, বিশেষ ধাৰণা আৰু চিন্তাধাৰাক উৎসাহিত কৰে।

(ঘ) এই পদ্ধতি নিম্ন শ্ৰেণীৰ প্ৰাথমিক শিক্ষাৰ বাবে গ্ৰহণযোগ্য।

(ঙ) এই পদ্ধতি সমস্যা সমাধানত প্ৰয়োগ কৰা হয়।

(চ) এই পদ্ধতি সময় মিতব্যয়ী পদ্ধতি।

ওপৰোক্ত আলোচনাৰ পৰা আমি শেষত ক'ব পাৰো যে আগমন পদ্ধতিয়ে শিক্ষাৰ্থীক সামৰণি প্ৰদান কৰাৰ পিছত মূৰ্ত ধাৰণা/বিষয় অথবা উক্তিৰ সাৰ্বজনীনকৰণৰ সম্পৰ্ক নিৰীক্ষণ কৰে। কিন্তু আগমন পদ্ধতিৰ দ্বাৰা পোৱা সামৰণিৰ সত্যতা অথবা বৈধতা আকৌ আগমন পদ্ধতিৰ দ্বাৰা বিচাৰ কৰিব পৰা নাযায়। আগমনৰ দ্বাৰা আমি শিক্ষাৰ্থীক সম্পৰ্কৰ আৱিষ্কাৰ নাইবা নতুন ধাৰণাৰ আৰু নিগমনৰ দ্বাৰা আমি এই আৱিস্কৃত ধাৰণা অথবা সম্পৰ্কবোৰৰ সত্যতা বিচাৰকৰণত সহায় কৰিব পাৰো। সেইবাবে ফলপ্ৰসু শিক্ষণৰ বাবে দুয়োটা পদ্ধতি ব্যৱহাৰ কৰা দৰকাৰ কাৰণ এটা আনটোৰ অবিহনে সম্পূৰ্ণ নহয়।

### ৩.৪ শিক্ষাৰ্থী কেন্দ্ৰিক পদ্ধতি ঃ

তুমি কেতিয়াবা শিক্ষণৰ অথবা কৰ্মকেন্দ্ৰিক শিক্ষণৰ ওপৰত শিক্ষক প্ৰশিক্ষণ অনুষ্ঠানত উপস্থিত আছানে? যদি হয়, তেন্তে এই অনুষ্ঠানত তোমাৰ মনত আছে ক'ত বেছি আলোকপাত কৰা হয়?

এই অনুষ্ঠানবোৰত শিশুকেন্দ্ৰিক শিক্ষণৰ ওপৰত বেছি গুৰুত্ব প্ৰদান কৰা হয় যিটোৱে শিক্ষাৰ্থীৰ দক্ষতা আৰু ব্যক্তিৰ সক্ষমতা অথবা আত্ম শিক্ষণ আৰু সমস্যা সমাধান ক্ষমতাৰ বিকাশ কৰে। এই পদ্ধতিত শিক্ষাৰ্থীয়ে দৈনন্দিন জীৱনত সন্মুখীন হোৱা সমস্যাসমূহৰ প্ৰকৃত সমাধান প্ৰদান কৰিবলৈ শিকে। শিক্ষকৰ ভূমিকা হ'ল এটা পৰিস্থিতি সৃষ্টি কৰা য'ত এটা সমস্যাৰ বিকাশ হয় আৰু শিক্ষাৰ্থীক তথ্য চিনাক্তকৰণত সহায় কৰা আৰু উপযুক্ত সমাধান উলিওৱা, সমাধানবোৰ প্ৰয়োগ কৰা আৰু তাৰ পৰা সমস্যাৰ উপযুক্ত সমাধানটো বাছি উলিওৱা। খেলা পদ্ধতি, প্ৰক্ষিপ্ত পদ্ধতি, সমস্যা সমাধান পদ্ধতি আৰু অন্বেষণ পদ্ধতি আদি শিক্ষাৰ্থীকেন্দ্ৰিক পদ্ধতিৰ উদাহৰণ। এই পদ্ধতিসমূহ বিস্তৃতভাৱে

আলোচনা কৰা হ'ল।

### ৩.৪.১ খেলা পদ্ধতি ঃ

আমি প্ৰত্যেকে বয়সৰ বিপৰীতে খেলি ভাল পাওঁ কিন্তু শিশুৰ পৃথিৱীৰ কাৰ্য্য সদায় খেলেৰে পৰিপূৰ্ণ। প্ৰত্যেক শিশুৱে খেলি ভাল পায়। খেলাটো হৈছে শিশুৰ এটা প্ৰাকৃতিক প্ৰবৃত্তি। এইটো সিহঁতৰ প্ৰয়োজনৰ এটা প্ৰকাশভংগী। এইটোৱে শিশুৰ শাৰীৰিক, সংজ্ঞাত্মক সামাজিক আৰু আৱেগিক বিকাশত সহায় কৰে। কিন্তু খেলা আৰু কামৰ মাজৰ পাৰ্থক্য কি? কাম আৰু খেলা সদায় বেলেগ। এটা মানুহৰ কৰ্ম আন এজনৰ বাবে খেল হ'ব পাৰে। বাগিচাৰ ৰক্ষণাবেক্ষণ কৰা বাগিচাকৰ্মীৰ বাবে তাৰ জীৱন নিৰ্বাহৰ বাবে কাম কিন্তু সেই কামটোৱে এজন যুৱকৰ বাবে নিজৰ সৃজনীশীল ইচ্ছা পূৰণৰ প্ৰয়োজন। তলত কৰ্ম আৰু খেলাৰ পাৰ্থক্যসমূহ দিয়া হ'ল—

| কৰ্ম | খেলা |
|---|---|
| এইটো অনুক্ৰমে কঠিন | এইটো আৰাম/সুখ প্ৰদান কৰে। |
| এইটো আনে প্ৰদান কৰে | স্বেচ্ছাসেৱী গ্ৰহণ অন্তৰ্ভুক্ত হয়। |
| শাৰীৰিক কামে ভাগৰ/ক্লান্তি আনে | শাৰীৰিক কাম আনন্দদায় অভিজ্ঞতালৈ ৰূপান্তৰিত হয়। |
| কামৰ ওপৰত বেছি মনোযোগ ভাগৰুৱা কৰে | বেছি মনোযোগ কিন্তু ভাগৰুৱা নকৰে। |
| নিয়ন্ত্ৰিত | স্বাধীনতা |

ইয়াক দুটা কাৰ্য প্ৰদান কৰা হৈছে।

**কাৰ্য্য ৫ ঃ** তুমি শিশুকালত খেলা এটাৰ নাম লিখা। খেলটোত অন্তৰ্ভুক্ত কৰা নিয়ম-কানুনবোৰ তালিকাভুক্ত কৰা। খেলটো খেলা পদ্ধতি স্তৰ হিচাপে ব্যাখ্যা কৰা। খেলটোৰ পৰা খেলি শিকা উক্তিবোৰ উল্লেখ কৰা।

**কাৰ্য্য ৬ ঃ** শিশুৱে খেলৰ দ্বাৰা শিকিবলগীয়া বিভিন্ন বিষয়ৰ ধাৰণাৰ তালিকা তৈয়াৰ কৰা। এইটো তোমাৰ লগৰ অনুষ্ঠানৰ শিক্ষাৰ্থীৰ লগত আলোচনা কৰা আৰু বেছি উক্তি তালিকাত লগ কৰা।

| অংকৰ ধাৰণা | ভাষাৰ ধাৰণা | পৰিবেশ অধ্যয়নৰ ধাৰণা |
|---|---|---|
| | | |
| | | |
| | | |

তুমি যিকোনো মিল থকা খেল বিশ্লেষণ আৰু ব্যক্তিগতভাৱে চিন্তা কৰি অথবা দলগতভাৱে শিক্ষকৰ লগত পাঠ্যক্ৰম সম্বন্ধীয় ধাৰণা খেলত সংযুক্ত কৰিব পাৰি যাতে শিক্ষাৰ্থীয়ে খেল উপভোগ

কৰাৰ লগতে ধাৰণাবোৰ শিকিবও পাৰে। এইদৰে শিকা শিক্ষণক “খেলৰ দ্বাৰা শিকা পদ্ধতি” বুলি কোৱা হয়।

‘কেনেকুৱা উপাদানৰ’ দ্বাৰা শিশুৱে বিভিন্ন ধাৰণাৰ বিষয়ে শিকিবলৈ পাৰে খেলত থকা তোমাৰ অবিহনে? উপাদানবোৰ সংযুক্ত আৰু তালিকাভুক্ত কৰা।

————————————————————

————————————————————

————————————————————

তোমাৰ তালিকাভুক্ত কৰা উপাদানবোৰ তলত উল্লেখ কৰা চিত্ৰত তুলনা কৰা।




**চিত্ৰ ৩.২**

সেইবাবে ক’ব পাৰি যে খেলা পদ্ধতিত তলত দিয়া সুবিধাসমূহ আছে।

- খেলাটো শিশুসকলৰ এটা প্ৰাকৃতিক প্ৰবৃত্তি। সিহঁতে আনকি খেলত স্বতস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰে, স্বাধীনতা পায় আৰু খেল ভালদৰে অনুষ্ঠিতও কৰে।
- শিশুৱে নতুন খেল উদ্ভাৱন কৰিব পাৰে, সিহঁতে খেলাৰ নিয়ম অনুশোচনা কৰে আৰু আত্ম অনুশাসন কঠোৰভাৱে নিৰীক্ষণ কৰে।
- এইটোৱে শিশুৰ সৃজনীমূলক দক্ষতা বিকাশ কৰাৰ লগতে বিভিন্ন দক্ষতা যেনে— সমস্যা সমাধান ক্ষমতা, নেতৃত্ব প্ৰদান, যুক্তিসংগত চিন্তাধাৰা, আত্ম অভিব্যক্তি, যোগাযোগ ক্ষমতা, সমন্বয়মূলক শিক্ষণ, দলগত উপস্থাপন ইত্যাদি।
- শিক্ষণ প্ৰাকৃতিক, আনন্দদায়ক আৰু শক্তিদায়ক অভিজ্ঞতা।

- এইটোৱে শিশুক উপযুক্ত পৰিসৰ প্ৰদান কৰে শাৰীৰিক, সংজ্ঞানাত্মক আৰু আৱেগিক প্ৰয়োজনৰ বাবে।
- এইটো শিশুক উপযুক্ত শিক্ষক-শিক্ষাৰ্থী আৰু শিক্ষাৰ্থী-শিক্ষাৰ্থী সম্বন্ধ গঢ়ি তোলাত সহায় কৰে।

**খেলা পদ্ধতিৰ নীতিসমূহ ঃ**

খেলা পদ্ধতি তলত দিয়া নীতিসমূহৰ ওপৰত প্ৰতিষ্ঠিত।

**অন্তৰ্নিহিত প্ৰতিভাৰ বিকাশ সাধনৰ নীতি ঃ** এইটো সকলোৱে জানে যে শিশু এটা কিছুমান অন্তৰ্নিহিত প্ৰতিভা লৈ জন্ম গ্ৰহণ কৰে যিবোৰ শিশুৱে উপযুক্ত পৰিবেশৰ প্ৰভাৱত এই অন্তৰ্নিহিত প্ৰতিভাৰ বিকাশ সাধন হয়। যদি অপ্ৰীতিকৰ পৰিস্থিতিৰ শিশুৱে সন্মুখীন হ'ব লগা হয়, শিশুৰ এই অন্তৰ্নিহিত প্ৰতিভাৰ বিকাশ বন্ধ হৈ যায় নাইবা সিহঁতৰ এনেকুৱা পৰিস্থিতিৰ বিকাশ নহয়। খেলা পদ্ধতি বিশেষকৈ মুখ্যভাৱে শিশুৰ অন্তৰ্নিহিত প্ৰতিভাৰ চিনাক্তকৰণ, পুষ্টি প্ৰদান আৰু বিকাশ কৰাই মুল লক্ষ্য।

**প্ৰাকৃতিক প্ৰবৃত্তিৰ নীতি ঃ** প্ৰত্যেকে নিজৰ প্ৰবৃত্তিৰ দ্বাৰা নিৰ্দেশিত হয়। খেলা প্ৰত্যেক শিশুৰে প্ৰাকৃতিক প্ৰবৃত্তি। খেলাৰ দ্বাৰা শিকা যিকোনো কাৰ্য্য শিশুৰ বাবে প্ৰাকৃতিক আৰু সি/তাই সেই অভিজ্ঞতাবোৰ অতি সোনকালে আৰু ভালদৰে অন্তৰ্নিহিত কৰে। খেলা পদ্ধতিয়ে প্ৰাকৃতিক প্ৰবৃত্তিসমূহ চিনাক্তকৰণ কৰে আৰু ডেকা শিক্ষাৰ্থীসকলৰ বাবে নতুন অভিজ্ঞতা আহৰণ কৰাত সহায়ক হয়।

**সম্পূৰ্ণ স্বাধীনতাৰ নীতি ঃ** এটা শিশুৰ প্ৰতিভাৰ আৰু অভিজ্ঞতা সংৰক্ষণত কম সময়ৰ দৰকাৰ হয় যেতিয়া সিহঁতক সম্পূৰ্ণ স্বাধীনতা প্ৰদান কৰা হয় তেওঁলোকৰ কাৰ্য্য। যিকোনো বাধাই তেওঁলোকৰ কাৰ্য্যত শিশুৰ প্ৰাকৃতিক বিকাশত অসুবিধাৰ সৃষ্টি কৰে। সম্পূৰ্ণ স্বাধীনতা প্ৰদান কৰাটো এটা শিক্ষক খেলা পদ্ধতিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ নীতি।

**কাৰ্যকৰণৰ নীতি ঃ** শিক্ষা আৰু মনোবিজ্ঞানৰ ক্ষেত্ৰত কৰা গৱেষণাই এটা কথা স্পষ্ট কৰে যে শিশুৱে বেছি ভালকৈ শিকে যেতিয়া সিহঁতে নিজে স্ব-প্ৰণোদিত কিবা কাৰ্য্যত অন্তৰ্ভুক্ত হয়। কাৰ্য্য নোহোৱাকৈ সুপ্ত শ্ৰৱণে অকল মুখস্থ শিক্ষণক গুৰুত্ব দিয়ে। খেলাৰ দ্বাৰা শিশু স্ব-ইচ্ছাই জাগ্ৰত হয়।

**ইচ্ছা পৰিপূৰ্ণতাৰ নীতি ঃ** প্ৰত্যেক শিশুৱে নিজৰ অন্তৰ্নিহিত কিছুমান ইচ্ছা আৰু ধাৰণাৰে পৰিচালিত হয় যিটো সকলো সময়তে ব্যাখ্যা কৰিব নোৱাৰি। যেতিয়া শিশুৱে যথেষ্ট স্বাধীনতা আৰু নমনীয়তা পায়, তেতিয়া সি অফুৰন্ত ধাৰণাসমূহ পূৰণৰ সুবিধা পায়। আনহাতে শিক্ষণৰ লক্ষ্যৰ ক্ষেত্ৰত দিয়া যিকোনো বাহ্যিক বাধাই প্ৰাকৃতিক বিকাশত বাধাৰ সৃষ্টি কৰে। খেলা পদ্ধতিয়ে তেনে বাহ্যিক বাধাত স্বাধীনতা প্ৰদান কৰে।

**সন্তুষ্টিৰ নীতি ঃ** সন্তুষ্টি দিয়া প্ৰত্যেক বিষয় সোনকালে শিকে। আনহাতে শিশুৱে কৰা সকলো কাৰ্য্য সন্তুষ্টি আৰু অসন্তুষ্টিৰ নীতিৰ দ্বাৰা পৰিচালিত তাৰ অৰ্থ হৈছে শিশুৱে তেনেকুৱা কাৰ্য্য কৰি ভাল পায় যিটোৱে সন্তুষ্টি প্ৰদান কৰে আৰু অসন্তুষ্টিদায়ক কাৰ্য্য অগ্ৰাহ্য কৰে। সেইবাবে খেলাৰ দ্বাৰা শিক্ষণ বেছি সন্তুষ্টিদায়ক, সহজ আৰু বেছি সময়ৰ বাবে ধাৰণক্ষম হয়।

**সৃজনাত্মক নীতি ঃ** শিশুৱে খেলি ভাল পায়। কিন্তু একে সময়তে সিহঁতে বিৰক্তি অনুভৱ কৰে একে খেল খেলি আৰু লগে লগে নতুনত্ব বিচৰাৰ চেষ্টা কৰে। এইটো ইচ্ছাই তেওঁলোকৰ ধাৰণাৰ পৰিৱৰ্তন কৰে খেলত নতুনত্ব অনাৰ। সেইবাবে সৃজনাত্মক প্ৰতিভাৰ আগন্তুক বিকাশ শিশুৰ খেলা আৰু খেলনা পদ্ধতিৰ দ্বাৰা কল্পনাত্মক সৃজনাত্মক বিকাশক বুজায়।

**দায়িত্ববোধৰ নীতি ঃ** খেলাই শিশুৰ মনত দায়িত্ববোধৰ চেতনাৰ সৃষ্টি কৰে। খেলত শিশুৱে অবিৰামভাৱে অনুভৱ কৰে যে কোনো নিয়ম-কানুন নথকাকে খেলাটো সন্তোষজনক নহয়, দলগতভাৱে হওক বা ব্যক্তিগতভাৱেও হওক। সেইবাবে শিশুৱে নীতি-নিয়মৰ বাবে আনক সহায় বিচাৰে নাইবা দলৰ গঠন কৰে আৰু দায়িত্ববোধৰ স্বীকৃতি লয় খেলৰ সময়ত। সেইবাবে খেলা পদ্ধতিয়ে শিশুক বেছিকৈ দায়িত্ববোধ হ'বলৈ শিকায় বিভিন্ন নিৰ্দেশনাৰ যোগেদি।

সেইবাবে যদি তুমি এই পদ্ধতি শ্ৰেণীকোঠাত ব্যৱহাৰ কৰিব খোজা, তেন্তে তুমি প্ৰথমতে পৰিকল্পনা বনাব লাগিব যাতে প্ৰত্যেক শিশুৱে নিজৰ প্ৰয়োজনমতে শ্ৰেণীকোঠাত কাৰ্য্য কৰিব পাৰে।

তলত দুটা শ্ৰেণী পৰিস্থিতিত দৃষ্টিপাত কৰা হ'ল—

**পৰিস্থিতি ৮ ঃ**

মহাশয়া শৰ্মিষ্ঠা বিজ্ঞান শিক্ষয়িত্ৰীজনীয়ে তৃতীয় শ্ৰেণীত জীৱিত আৰু নিৰ্জীৱ পদাৰ্থৰ ধাৰণা প্ৰদান কৰিছিল। তেওঁ গোটেই পাঠটো তলত দিয়া স্তৰত ভাড়া কৰিছিল।

— তেওঁ শিক্ষাৰ্থীসকলক দলত ভাগ কৰিছিল। প্ৰত্যেক দলত ৪-৫টা শিক্ষাৰ্থী আছিল। প্ৰত্যেক দলকে বৃত্তাকাৰে বহিবলৈ দিয়া হৈছিল।

— তেওঁ বিভিন্ন জীৱিত আৰু নিৰ্জীৱ পদাৰ্থৰ চিত্ৰ প্ৰদান কৰিছিল (শিক্ষাদানৰ সঁজুলি) প্ৰত্যেকটো দলকে। প্ৰত্যেক দলৰ শিশুৱে চিত্ৰবোৰ ভালদৰে নিৰীক্ষণ কৰিছিল।

— তেওঁ শিক্ষাৰ্থীসকলক জীৱিত পদাৰ্থবোৰ বাছি উলিয়াবলৈ নিৰ্দেশ দিছিল যিবোৰ সিহঁতে এটা স্থানৰ পৰা আনটো স্থানলৈ স্থানান্তৰ কৰিব পাৰে। প্ৰত্যেক দলৰ শিক্ষাৰ্থীয়ে যিমান পাৰে জীৱিত পদাৰ্থৰ চিত্ৰবোৰ বাছি উলিয়াইছিল আৰু শিক্ষকক প্ৰদান কৰিছিল।

— শিক্ষাৰ্থীৰ সহায়ত শিক্ষয়িত্ৰীয়ে শুদ্ধ চিত্ৰবোৰ গণনা কৰিছিল যিবোৰ প্ৰত্যেক দলে বিভিন্নভাৱে চিনাক্তকৰণ কৰিছিল আৰু তেওঁলোকক শুদ্ধ উত্তৰৰ বাবে নম্বৰ প্ৰদান কৰিছিল। প্ৰত্যেক দলে পুৰস্কৃত হোৱা মুঠ নম্বৰবোৰ ব্লেকবোৰ্ডৰ প্ৰত্যেক দলৰ বিপৰীতে লিখি দিয়া হৈছিল।

— তেওঁ চিত্ৰবোৰ প্ৰত্যেক দলকে ঘূৰাই দিছিল আৰু খেলটো চলাই ৰাখিবলৈ কৈছিল। তেওঁ শিক্ষাৰ্থীক জীৱিত পদাৰ্থৰ আন বৈশিষ্ট্যবোৰ চিত্ৰবোৰৰ লগত খেলি চিনাক্তকৰণ কৰিব নিৰ্দেশ দিছিল। খেলটো জীৱিত পদাৰ্থৰ সকলো বৈশিষ্ট্য চিনাক্তকৰণ নকৰালৈকে চলি আছিল।

— অৱশেষত তেওঁ জীৱিত আৰু নিৰ্জীৱ পদাৰ্থৰ বৈশিষ্ট্যবোৰ শিক্ষাৰ্থীৰ সহায়ত বাছি উলিয়াবলৈ সক্ষম হৈছিল।

**পৰিস্থিতি ৯ ঃ**

সৰোজে চতুৰ্থ শ্ৰেণীৰ শিক্ষাৰ্থীৰ মানচিত্ৰ অধ্যয়ন দক্ষতাৰ বিকাশ কৰাৰ চেষ্টা কৰিছিল।

— ইয়াৰ বাবে তেওঁ শিক্ষাৰ্থীক ৬-৮ দলত ভাগ কৰিছিল। প্ৰত্যেক দলৰ শিক্ষাৰ্থীক এটা অৰ্ধবৃত্তাকাৰভাৱে তলত চিত্ৰত দেখুওৱাৰ দৰে বহিবলৈ নিৰ্দেশ দিয়া হৈছিল।




বহাৰ স্থানসমূহ

— তেওঁ প্ৰত্যেক দলৰ যোৰক এখন অভিধান আৰু কিছুমান ভাৰতৰ বিভিন্ন ঠাইৰ নাম থকা আলোকচিত্ৰ প্ৰদান কৰিছিল।

— তেওঁ তলত থকা নিৰ্দেশাৱলী দিছিল।

— এটা দলে প্ৰত্যেক যোৰাৰ আলোকচিত্ৰবোৰ বিপৰীত দলটোক দেখাইছিল আৰু বিপৰীত দলটোৱে অভিধানত সেই ঠাইবোৰ সীমিত সময়ত উপস্থাপন কৰিছিল।

— আকৌ দ্বিতীয় দলটো প্ৰত্যেক যোৰৰ আলোকচিত্ৰবোৰ বিপৰীত দলক দেখাইছিল আৰু অভিধানত সেই ঠাইবোৰ দলটোৱে উপস্থাপন কৰিছিল। খেলাটো এনেদৰে চলি থাকিছিল।

— প্ৰত্যেক শুদ্ধ প্ৰশ্নপদৰ বাবে তেওঁ ১ টা নম্বৰ প্ৰদান কৰিছিল আৰু মুঠ নম্বৰবোৰ গণনা কৰা হৈছিল। বিজয়ী দলটোক সম্ভাষণ জনোৱা হৈছিল।

এতিয়া দুটা পৰিস্থিতিত প্ৰস্ফূটিত কৰা আৰু তলত দিয়া কাৰ্য্যটো কৰা।

**কাৰ্য্য ৭ ঃ** গণিতৰ যিকোনো এটা বিষয় যিকোনো শ্ৰেণীৰ তুমি খেলা পদ্ধতিৰ দ্বাৰা কেনেকৈ শিকাবা। তোমাৰ শিক্ষক/বন্ধুবৰ্গৰ লগত অধ্যয়ন কেন্দ্ৰত উন্নতি সাধন আৰু বিচাৰকৰণৰ বাবে আলোচনা কৰা।

খেলা ব্যৱহাৰত শিক্ষকৰ ভূমিকাৰ বিষয়ে তালিকাভুক্ত কৰা।

তোমাৰ তালিকাখন তলত দিয়া তালিকাৰ লগত তুলনা কৰা।

শিক্ষকৰ খেলা পদ্ধতিত ভূমিকা—

শিক্ষক—

- শিক্ষাৰ্থীক খেলসমূহ চলোৱাত নাইবা, নতুন খেলৰ বিকাশ সাধন কৰাত শিক্ষাৰ্থীৰ অন্তৰ্ভুক্তিৰ সহায় কৰা।

- শিশুসকলৰ বাবে এটা উপযুক্ত শিক্ষণীয় পৰিস্থিতি সৃষ্টি কৰা যাতে তেওঁলোকে আনন্দদায়ক শিক্ষণ অনুভৱ কৰিব পাৰে।
- শিক্ষণীয় কাৰ্য্য প্ৰস্তুত কৰাৰ পিছত শিক্ষণীয় সা-সৰঞ্জামসমূহ প্ৰস্তুত কৰা।
- শিক্ষণীয় কাৰ্য্যবোৰ সাধাৰণৰ পৰা জটিললৈ বনোৱা।
- শিক্ষণীয় প্ৰক্ৰিয়াত শিক্ষাৰ্থীৰ বাবে নিৰ্দেশক, দলপতি আৰু পৰিচালক হিচাপে কাম কৰা।
- শিক্ষাৰ্থীক খেলা পদ্ধতিৰ দ্বাৰা মূল্যায়ন কৰা। মূল্যায়ন হেয় জ্ঞান নকৰা।

মণ্টেছৰী পদ্ধতি, কিন্দাৰগাৰ্ডেন পদ্ধতি খেলা পদ্ধতিৰ বিকাশৰ ওপৰত প্ৰতিষ্ঠিত। কিন্তু কিছুমান খেলা পদ্ধতিৰ সীমাবদ্ধতা তলত উল্লেখ কৰা হ'ল—

খেলা পদ্ধতিৰ সীমাবদ্ধতা—

- এই পদ্ধতি প্ৰাক্-প্ৰাথমিক আৰু প্ৰাথমিক স্তৰৰ শিক্ষাৰ্থীৰ বাবে গ্ৰহণযোগ্য।
- সকলো বিষয়ৰ ধাৰণা আৰু উপাদান এই পদ্ধতিৰ দ্বাৰা প্ৰদান কৰিব নোৱাৰি।
- কিছুমান সময়ত শিক্ষাৰ্থীয়ে খেলৰ ওপৰত বেছি গুৰুত্ব দিয়ে খেলা পদ্ধতিৰ দ্বাৰা শিকণতকৈ।

E ঃ৪— খেলা পদ্ধতিৰ কোনটো নীতিয়ে আত্ম অনুশাসনৰ ধাৰণা প্ৰৱৰ্তন কৰে।

E ঃ ৫— কিয় খেলা পদ্ধতি আৰম্ভণিৰ শিক্ষণ প্ৰক্ৰিয়াত বেছি ফলদায়ক বুলি কোৱা হয়।

**৩.৪.২ প্ৰকল্প পদ্ধতি ঃ**

তুমি কেতিয়াবা স্কুলত প্ৰকল্প কৰ্ম কৰিছানে? কেনেকৈ কৰিছিলা? এজন শিক্ষক হিচাপে তুমি প্ৰকল্প কৰ্ম প্ৰদান কৰা নে তোমাৰ শিক্ষাৰ্থীক? তোমাৰ শিক্ষাৰ্থীয়ে কেনেদৰে কৰে?

প্ৰকল্প মানে কি তুমি জানানে?

জন আলফ্ৰেড ষ্টিভেনচনৰ মতে "প্ৰকল্প হৈছে প্ৰাকৃতিক পৰিস্থিতি কঢ়িয়াই নিয়া এটা সমস্যাগত কাৰ্য্য"।

বেললৰ্ডৰ মতে "প্ৰকল্প হৈছে এটা প্ৰকৃত জীৱনৰ ধাৰণা যিটো বিদ্যালয়ত ধাৰণা কৰা হয়"।

আনহাতে ড° উইলিয়াম হেড কিলপেট্ৰিকৰ মতে "প্ৰকল্প হৈছে এটা সম্পূৰ্ণ সামাজিক পৰিবেশত ঘটা উদ্দেশ্য প্ৰণোদিত কাৰ্য্য"। আন শব্দ ক'বলৈ গ'লে প্ৰকল্প হৈছে এটা শিক্ষাগত পদ্ধতি য'ত শিক্ষাৰ্থীয়ে ব্যক্তিগতভাৱে নাইবা দলগতভাৱে "প্ৰকৃত জীৱন"ৰ সমস্যাবোৰ বিশ্লেষণ আৰু বিকাশ সাধন কৰে বৰ্তমান সময় সীমাত আৰু বৰ্তমান দিনত, স্বাধীনভাৱে কাম কৰি আৰু কাৰ্য্যবোৰ স্পষ্টকৈ প্ৰদান কৰি।

ওপৰোক্ত সংজ্ঞাৰ পৰা আমি নিৰীক্ষণ কৰো যে—

- প্ৰকল্প হৈছে এটা কাৰ্য্য বা দক্ষতা।
- এইটো উদ্দেশ্য প্ৰণোদিত।
- এইটো সামাজিক আৰু প্ৰাকৃতিক পৰিস্থিতিত উপস্থাপন কৰা হয়।

**প্ৰকল্প পদ্ধতিৰ বৈশিষ্ট্য ঃ**

**প্ৰকল্প পদ্ধতিৰ বৈশিষ্ট্যবোৰ তলত উল্লেখ কৰা হ'ল—**

**সমস্যাবহুল ঃ** প্ৰত্যেক প্ৰজেক্টে অন্তত এটা সমস্যা সমাধান কৰিবলৈ বাধ্য যিটো শিক্ষাৰ্থীক প্ৰদান কৰা হয়। সমস্যাৰ বিষয়ে সচেতনতাই প্ৰজেক্ট আৰম্ভণিৰ সূচনা কৰে।

**বস্তুনিষ্ঠ ঃ** প্ৰকল্প পদ্ধতিৰ সফলতা শিক্ষাৰ্থীৰ বস্তুনিষ্ঠতা বুজাৰ সক্ষমতাৰ ওপৰত নিৰ্ভৰ কৰে। শিক্ষাৰ্থীয়ে প্ৰজেক্টৰ লগত কঢ়িয়াই অনা লক্ষ্যসমূহ সিহঁতৰ প্ৰকৃত জীৱনৰ পৰিস্থিতিৰ লগত জড়িত আৰু কিছুমান সিহঁতৰ অন্তৰ্নিহিত ইচ্ছা পূৰণ কৰে।

**কাৰ্য্যক্ষম ঃ** লক্ষ্য উপস্থাপন কৰাৰ পিছত, এইটো তোমাৰ দায়িত্ব শিক্ষণীয় পৰিবেশ সৃষ্টি কৰাটো শিক্ষাৰ্থীয়ে আত্ম-পৰিকল্পনা, দলগত আলোচনা আৰু দলগত কাৰ্য্যৰ দ্বাৰা শিকে।

**প্ৰকৃত ঃ** ফলদায়ক শিক্ষণৰ কাৰণে প্ৰকৃত জীৱন কাৰ্য্য প্ৰস্তুত কৰাৰ প্ৰয়োজন।

**সমতা ঃ** প্ৰকল্প পদ্ধতিত, শিক্ষণ প্ৰাকৃতিকভাৱে উপস্থাপন হয়। সেইবাবে শিক্ষাৰ্থীয়ে কাৰ্য্যবোৰ মুক্তভাৱে কৰে।

**প্ৰয়োজনীয়তা ঃ** শিক্ষণীয় জ্ঞানসমূহ সদায় শিক্ষাৰ্থীৰ তৎকালীন প্ৰয়োজন পূৰণত সহায় কৰে। সেইবাবে প্ৰজেক্ট পদ্ধতি বৰ্তমান প্ৰয়োজনত দৰকাৰী।

সংহতি ঃ যিহেতু প্ৰকল্পবোৰ প্ৰকৃত জীৱনৰ সমস্যাৰ লগত জড়িত, প্ৰকৃত অভিজ্ঞতাবোৰহে প্ৰকল্পত দৰকাৰী আৰু এটা বিষয়ৰ জ্ঞানে প্ৰকৃত জীৱনৰ জ্ঞান প্ৰদান নকৰে। এজনে বহুতো বিষয়ৰ অভিজ্ঞতা সংযুক্ত কৰাৰ প্ৰয়োজন প্ৰকল্পৰ সফল ৰূপায়ণৰ বাবে। বিষয়ৰ সংহতি শিকোৱাৰ দৰকাৰ শ্ৰেণীকক্ষত প্ৰকল্প কৰ্মৰ বুনিয়াদী প্ৰয়োজন।

**গণতান্ত্ৰিক মূল্য ঃ** প্ৰকল্প এটা কৰোতে, শিক্ষাৰ্থীবিলাকে এটা দলত সহযোগিতাৰে এজনে আনজনৰ লগত সন্মান সহকাৰে কাম কৰাৰ প্ৰয়োজন, এজনে আনজনৰ মন্তব্যক গুৰুত্ব দিয়া, দায়িত্ব সমান আৰু সহকাৰে ভাগ বিতৰণ কৰা। তেনেকুৱা বৈশিষ্ট্যৰ অন্তৰ্ভুক্তিয়ে গণতান্ত্ৰিক মূল্যৰ বিকাশ সাধন কৰে। কিলপেট্ৰিকৰ মতে, এইটো গণতন্ত্ৰৰ আটাইতকৈ উৎকৃষ্ট পদ্ধতি।

তলত দিয়া পৰিস্থিতিটো পঢ়া।

**পৰিস্থিতি ১০ ঃ**

এটা শ্ৰেণী কোঠাত মহাশয় সন্তোষ, শিক্ষাৰ্থী আৰু তেওঁলোকৰ শিক্ষকে ৰঙীন শিক্ষণ সামগ্ৰীসমূহ ব্যৱহাৰ আৰু আনন্দদায়ক হিচাপে বিকাশ কৰিছিল। কিছু মাহ পিছত সিহঁতে

গোটেই শিক্ষণ সামগ্ৰীসমূহ বাছনি আৰু জমা কৰা এৰি দিলে যিটোৱে তেওঁলোকৰ শিক্ষণ সামগ্ৰীৰ কাৰু-কাৰ্য দুৰ্বল কৰি দিলে। তেতিয়া তেওঁলোকে কিবা এটা কৰাৰ আৰু শিক্ষণ সামগ্ৰীৰ এটা কোণ শ্ৰেণীকোঠাত অন্তৰ্ভুক্ত কৰাৰ কথা ভাবিলে ইয়াৰ বাবে সন্তোষ শিক্ষাৰ্থীসকলক এখন স্কুললৈ লৈ গ'ল য'ত শিক্ষণ সামগ্ৰীবোৰ প্ৰস্তুত কৰা হৈছিল আৰু প্ৰত্যেক শ্ৰেণীকোঠাত ইয়াৰ বাবে কোণ এটা আছিল। শিক্ষাৰ্থীসকলে চাবলৈ যোৱা স্কুলৰ শিক্ষাৰ্থীসকলৰ লগত আলোচনা কৰিছিল আৰু শিক্ষণ সামগ্ৰী প্ৰস্তুত কৰিবৰ প্ৰস্তুতি, নিৰ্বাচন আৰু ব্যৱহাৰৰ ওপৰত নিৰীক্ষণ কৰিছিল। সিহঁতে এই আলাপ-আলোচনাত বহুতো সুখী আছিল শিক্ষণ সামগ্ৰীৰ কোণৰ প্ৰয়োজনীয়তা নিজৰ শ্ৰেণীকোঠাত অনুভৱ কৰিছিল। মহাশয় সন্তোষে স্কুলৰ পৰা অহাৰ পিছত শিক্ষাৰ্থীসকলৰ লগত বহিছিল আৰু আলোচনা কৰিছিল যে কিদৰে শিক্ষণ সামগ্ৰীৰ কোণ বা কোঠা এটা স্কুলত সৃষ্টি কৰা যাব। এই আলোচনাত, উদয় হোৱা প্ৰশ্নসমূহ হ'ল—

- শ্ৰেণীকোঠাৰ কোনটো ঠাই শিক্ষণ সামগ্ৰীৰ কোণ বনোৱাৰ বাবে উপযুক্ত হ'ব?
- বিভিন্ন বিষয়ৰ বাবে কেনেকুৱা ধৰণৰ শিক্ষণ সামগ্ৰী প্ৰস্তুত কৰা হ'ব?
- কেনেকুৱা শিক্ষণ সামগ্ৰী সংগ্ৰহ কৰা হ'ব?
- কি কি সামগ্ৰীৰ প্ৰয়োজন হ'ব প্ৰস্তুতিৰ বাবে?
- এনেকুৱা প্ৰস্তুতিৰ বাবে কিমান বিত্তৰ প্ৰয়োজন হ'ব?
- এনেকুৱা উদ্দেশ্যৰ বাবে বিত্তৰ উৎস কি হ'ব?
- এই প্ৰকল্পটোৰ সময়সীমা কিমান হ'ব?

এটা দীঘলীয়া আলোচনাৰ শেষত সিহঁতে নিতাৰ সন্তুষ্টিৰ ভিত্তিত পৰিকল্পনা তৈয়াৰ কৰিলে। তেতিয়া তেওঁলোকে সিহঁতক বিভিন্ন দল, কাম অনুযায়ী ভাগ কৰিলে আৰু প্ৰত্যেক দলকে বিভিন্ন সামগ্ৰী যোগান ধৰিছিল। শিক্ষাৰ্থীয়ে কাম কৰা আৰম্ভ কৰিলে।

বিভিন্ন ধৰণৰ শিক্ষণ সামগ্ৰী যেনে— আলোকচিত্ৰ, সংখ্যাচিত্ৰ, মাটিৰ আৰ্হিৰ বিভিন্ন অংগ, বিভিন্ন বীজ, বিভিন্ন ধৰণৰ মাটি ইত্যাদি প্ৰস্তুত আৰু সংগ্ৰহ কৰিছিল। সিহঁতে সামগ্ৰীসমূহ ভালদৰে সজাই এটা ৰেক্‌ত শ্ৰেণীকোঠাৰ কোণত ৰাখিছিল, যাতে সকলোৱে ঢুকি পায়। অৱশেষত সন্তোষ আৰু তেওঁৰ শিক্ষাৰ্থীবোৰে একেলগে বহিছিল আৰু তেওঁলোকৰ কামৰ তলত দিয়া প্ৰশ্নৰ ভিত্তিত মূল্যায়ন কৰিছিল।

- শিক্ষণ সামগ্ৰীবোৰ বিভিন্ন বিষয়ৰ বিভিন্ন ধাৰণা শিকোৱাৰ বাবে উপযোগী নে?
- সিহঁত উপযোগী আৰু ব্যৱহাৰযোগ্য নে?
- এটা শিক্ষণ সামগ্ৰীয়ে বিভিন্ন বিষয় আৰু বিভিন্ন ধাৰণাৰ বাবে ব্যৱহাৰযোগ্য নে?
- এইবোৰ শিক্ষাৰ্থীৰ বাবে সহজে গ্ৰহণযোগ্যনে?

তেতিয়া শিক্ষাৰ্থীয়ে এটা ফলাফল তৈয়াৰ কৰে প্ৰকল্পটোৰ ওপৰত, কেনেদৰে পৰিকল্পনা কৰা হয়, আলোচনা কৰা হয়, দায়িত্ববোৰ ভাগ কৰা হয় আৰু মূল্যায়ন কৰা হয়। সিহঁতে প্ৰত্যেক শিক্ষণ সামগ্ৰীৰ ভৱিষ্যৎ ব্যৱহাৰৰ বিষয়ে বিভিন্ন বিষয়ত লিখি উলিয়াইছিল।

ওপৰোক্ত উদাহৰণৰ পৰা, আমি প্ৰকল্পৰ স্তৰবোৰ উলিয়াব পাৰো। সেইবোৰ হ'ল—

(১) পৰিস্থিতি প্ৰদান কৰা।

(২) সমস্যা নিৰ্বাচন কৰা।

(৩) প্ৰকল্পৰ পৰিকল্পনা কৰা।

(৪) নিৰ্ধাৰণ।

(৫) মূল্যায়ন।

প্ৰকল্পৰ কিছুমান উদাহৰণ ঃ

- শিক্ষাৰ্থীসকলে ফলাফল প্ৰস্তুত কৰিব পাৰে বিভিন্ন সামাজিক অনুষ্ঠানবোৰ ভ্ৰমণ কৰি সিহঁতৰ কাৰ্য্য তালিকাবোৰ চাই যেনে ঃ ডাকঘৰ, বেংক, চিকিৎসালয় আৰক্ষী থানা ইত্যাদি।
- সিহঁতে নিজৰ ঠাইত মানুহে কৰা বৃত্তিবোৰৰ ওপৰত ফলাফল প্ৰস্তুত কৰিব পাৰে।
- সিহঁতে নিজৰ ঠাইৰ লোকৰ খাদ্যভাসৰ ওপৰতো ফলাফল তৈয়াৰ কৰিব পাৰে।

**কাৰ্য্য ৮ ঃ** যিকোনো এটা প্ৰকল্প নিৰ্বাচন কৰি আৰু স্তৰ হিচাপে কেনেদৰে প্ৰস্তুত কৰিব তাৰ বাবে শিক্ষাৰ্থীসকলক প্ৰস্তুত কৰা।

**প্ৰকল্প পদ্ধতিৰ গুণবোৰ ঃ**

- প্ৰকল্প পদ্ধতি জাগ্ৰত শিক্ষণৰ ওপৰত প্ৰতিষ্ঠিত। শিক্ষাৰ্থীসকলে সম্পূৰ্ণভাৱে কাৰ্য্যটোত অন্তৰ্ভুক্ত হয়, যাৰ দ্বাৰা সিহঁতৰ জ্ঞান, বুজাপৰা আৰু দক্ষতাবোৰ প্ৰকৃত জীৱনৰ বাবে এটা সম্পূৰ্ণ ব্যক্তিত্বৰ বিকাশ সাধন হয়।
- যিহেতু প্ৰকল্প পদ্ধতিৰ প্ৰত্যেকটো কাৰ্য্যই প্ৰকৃত জীৱনৰ অভিজ্ঞতাৰ নামত জড়িত, প্ৰত্যেক তেনে কাৰ্য্যই শিক্ষাৰ্থীৰ বাবে অৰ্থপূৰ্ণ। সেইবাবে অৰ্থপূৰ্ণ শিক্ষণ প্ৰকল্প পদ্ধতিৰ লগতে জড়িত।
- শিক্ষাৰ্থীসকলে সম্পূৰ্ণ স্বাধীনতা উপভোগ কৰে প্ৰকল্প প্ৰস্তুত কৰোতে। এইটো শিক্ষাৰ্থীৰ আত্ম অনুশাসন কাৰ্য্যত বিকাশ আৰু দায়িত্ববোধৰ ভাবধাৰাৰ প্ৰকাশ কৰে।
- শিক্ষাৰ্থীয়ে ভৱিষ্যতে কৰিব লগা বিভিন্ন কামৰ সম্ভাব্যতাৰ লগত জড়িত থাকে। সেইবাবে প্ৰকল্প পদ্ধতিয়ে শিক্ষাৰ্থীৰ ভৱিষ্যত প্ৰস্তুতিত সহায় কৰে।
- শিক্ষাৰ্থীয়ে বিভিন্ন সামাজিক যোগ্যতা যেনে ঃ মিলা-প্ৰীতি, দলগত কৰ্ম, দল স্বীকৃতি আৰু ত্যাগ আদি অন্তৰ্ভুক্তকৰণৰ সুবিধা পায়।

- শিক্ষণৰ বাবে থকা আগ্ৰহ আৰু অভিৰোচন প্ৰকল্প কাৰ্য্যত স্বতস্ফূৰ্তভাৱে সৃষ্টি কৰা হয় আৰু কোনো বাহ্যিক হেঁচাই শিক্ষাৰ্থীক আগ্ৰহান্বিত নকৰে।
- প্ৰকল্পৰ সম্পূৰ্ণকৰণে ব্যক্তিক উপলব্ধিৰ অনুভূতি প্ৰদান কৰে যিটোৱে শিক্ষাৰ্থীক ভৱিষ্যত শিক্ষণৰ প্ৰেৰণা প্ৰদান কৰে।

E : ৬— প্ৰকল্প পদ্ধতিৰ তিনিটা সীমাবদ্ধতা লিখা।

**৩.৩.৩ সমস্যা সমাধান পদ্ধতি ঃ**

আমি প্ৰত্যেকে জীৱন বহুতো সমস্যা দৈনন্দিন জীৱনত সন্মুখীন হওঁ। কেতিয়া তুমি অনুভৱ কৰা পৰিস্থিতিটো সংকতজনক তুমি কেনেকৈ সমস্যা সমাধান কৰা?

| |
|---|
| **কাৰ্য্য ৯ ঃ** তুমি সদ্যহতে সন্মুখী হোৱা সমস্যাসমূহৰ বিষয়ে তালিকা প্ৰস্তুত কৰা। তুমি কেনেদৰে তেনেকুৱা এটা সমস্যা সমাধান কৰিবা কৰিবা স্তৰ অনুযায়ী সাংগাঠনিকভাৱে এটা সমূহীয়া সমস্যা তলত আলোচনা কৰা হ'ল ঃ |

ধৰা হ'ল স্কুল ঢুকিবলৈ তুমি বাছেৰে যোৱা। তোমাৰ স্কুল ঘৰৰ পৰা ত্ৰিশ কিঃমিঃ দূৰত। সদায় তুমি একেখন বাছেৰে স্কুল যোৱা। এদিনাখন তোমাৰ বাছখন মাজ ৰাস্তাত বেয়া হৈ গ'ল। তুমি কিংকৰ্তব্যবিমূঢ় হৈ গ'লা। কিন্তু তুমি স্কুল সময়ত গৈ পাব লাগিব। তুমি এতিয়া কি কৰিবা?

| | |
|---|---|
| ঘটনাটোত কি সমস্যা ? | তুমি স্কুল সময়ত গৈ পাব লাগে। তুমি কিংকৰ্তব্যবিমূঢ় হৈ সেই মুহূৰ্তত তুমি স্কুল সময়ত কেনেকৈ গৈ পাবা? |
| সমাধানৰ দিশবোৰ কি কি? | তুমি বিভিন্ন দিশেৰে স্কুল সময়ত দৈ পোৱাৰ ৰাস্তা বিচাৰিবা সদ্যহতে (i) তুমি খোজ কাঢ়ি স্কুললৈ যাবা (ii) তুমি আগন্তুক বাছলৈ ৰখিবা (iii) তুমি এজন ব্যক্তিক নিজৰ বাহনত লৈ যাবলৈ ক'বা (iv) তুমি ওচৰৰ দোকানৰ পৰা চাইকেল এখন ধাৰ কৰি স্কুললৈ যাবা। |
| কোনটো পথ তুমি বাছি ল'বা? | সকলো সুবিধা বিশ্লেষণ কৰাৰ পিছত বিপৰীত সমাধান পোৱাৰ পিছত, তুমি স্কুল যাবৰ বাবে সময়ত কি যান বাহন ব্যৱহাৰ কৰিবা নিৰ্বাচন কৰা। |

এতিয়া আৰম্ভণিতে উত্থাপন কৰা প্ৰশ্নৰ উত্তৰসমূহ দিয়াৰ বাবে চেষ্টা কৰা। কেতিয়া তুমি নিজকে এটা সমস্যাবহুল পৰিস্থিতিত থকা বুলি ভাবা? উত্তৰটো এনেকুৱা হ'ব পাৰে। তুমি এটা সমস্যাবহুল পৰিস্থিতিত আছা, কেতিয়া তুমি গম পাবা কি কৰিব লাগিব? কিন্তু নাজানা কি কৰিব লাগিব?

আন অৰ্থত, আমি স্পষ্টকৈ আনো যে কেনেকৈ লক্ষ্য আৰু উদ্দেশ্যসমূহত কেনেকৈ ফলৱতী হ'ব লাগিব, কিন্তু আমি নিশ্চিত নহয় যে কেনেকৈ ফলৱৰ্তী কৰিম। শিক্ষণৰ ক্ষেত্ৰত, সেইবাবে সমস্যা

সমাধান এনে এটা পদ্ধতি যাৰ দ্বাৰা আটাইতকৈ উপযুক্ত শিক্ষণৰ লক্ষ্যত উপনীত হ'ব পৰা যায়।

শিশুৱে বহুতো সমস্যাত দৈনন্দিন জীৱনত দেখা দিয়া সমাধান কৰে একেদৰে তুমি কৰাৰ দৰে সিহঁতে সমস্যাৰ সমাধান কৰি শিকে।

এটা শ্ৰেণীকক্ষৰ পৰিস্থিতিৰ দ্বাৰা আমি আলোচনা কৰো।

**পৰিস্থিতি ১১ ঃ**

মহাশয় সোম্যই 'গছৰ বিভিন্ন অংশ পাঠটো পঢ়াই আছিল ষষ্ঠ শ্ৰেণীৰ। প্ৰথমতে তেওঁ গোটেই শ্ৰেণীটোকে সৰু সৰু দলত ভাগ কৰিছিল, প্ৰত্যেক দলকে এটা আদাৰ টুকুৰা প্ৰদান কৰিছিল আৰু গোটেই শ্ৰেণীটোকে এটা প্ৰশ্ন সুধিছিল, যিটো গোটেই শিক্ষাৰ্থীৰ বাবে সমাধান কৰিবলগীয়া সমস্যা।

প্ৰশ্ন ঃ গছৰ কোনটো অংশ আদা?

শিক্ষাৰ্থীয়ে সমস্যাটো বুজি পাইছিল যে আদা গছৰ এটা অংশ আৰু সিহঁতে অংশটো বাছি উলিয়াব লাগে। কিছুমান ধাৰণা আদা সম্পৰ্কে সিহঁতৰ মনত উদ্ভাৱন হৈছিল। যেনে—

- ইয়াৰ ৰং মাটিয়া।
- এইটো মাটিৰ তলত গজে।
- আমি আদাক আহাৰ হিচাপে গ্ৰহণ কৰো।
- নতুন আদাৰ গছ আদাৰ টুকুৰা এটাৰ পৰা গজে ইত্যাদি।

শিক্ষাৰ্থীয়ে এনেকুৱা বতৰা বিভিন্ন উৎসৰ পৰা যেনে ঃ কিতাপ, আনক প্ৰশ্ন সুধি আদি গ্ৰহণ কৰে। এইটো বতৰাৰ পৰা সিহঁতে ধাৰণা পায় যে—

আদা হ'ব পাৰে—

- এটা শিল্প
- এটা ফল
- এটা কোষ

তেতিয়া শিক্ষাৰ্থীসকলে বতৰা গ্ৰহণ কৰে শিপা, ফল আৰু কোষৰ বৈশিষ্ট্যৰ বিষয়ে আৰু আদাৰ লগত তুলনা কৰে আৰু আদাৰ বৈশিষ্ট্যৰ লগত কোষৰ বৈশিষ্ট্যৰ মিলাই চায় (য'ত শিৰা, উপশিৰা, শিৰাৰ পৰা পাত আদি গজে) শিক্ষাৰ্থীসকলে সামৰণিত কয় যে আদা হৈছে এটা গছৰ শিৰা আৰু এইটো মাটিৰ তলত গজে। সিহঁতে শিৰাৰ উদাহৰণ দিবলৈ সক্ষম হয় যিবোৰ মাটিৰ তলত গজে যেনে—আলু, পিঁয়াজ ইত্যাদি।

সমস্যা সমাধান পদ্ধতিৰ স্তৰ

ওপৰোক্ত আলোচনাৰ পৰা আমি সমস্যা সমাধান পদ্ধতিৰ স্তৰৰ ধাৰণা পাওঁ। যিহেতু সমস্যা

সমাধানৰ বহুতো আৰ্হি আছে, এটা আৰ্হি হ'ল সাধাৰণ সমস্যা সমাধানৰ আদৰ্শ আৰ্হি— ব্ৰেনচফ'ৰ্ডৰ (ব্ৰেনচফ'ৰ্ড আৰু ষ্টেইন ১৯৮৪)

(১) চিনাক্তকৰণ এটা সমস্যা।

(২) সমস্যাৰ সংজ্ঞা দিয়া চিন্তাৰ দ্বাৰা আৰু উপযুক্ত বতৰা প্ৰদান কৰা এই বিষয়ে।

(৩) সমাধানৰ উদ্ভাৱন কৰা বিকল্প, মানসিক যুক্তিযুক্তকৰণ আৰু বিভিন্ন উক্তিসমূহ চাই।

(৪) উপায়ৰ ওপৰত কাৰ্য্য কৰা।

(৫) পৰৱৰ্তীভাৱে চোৱা আৰু কাৰ্য্যৰ পৰিণাম মূল্যায়ন কৰা।

আৰ্হিবোৰ বিশেষকৈ বিকাশ সাধন কৰা হয় মূৰ্ত শিক্ষণৰ ধাৰণাৰ ওপৰত সমস্যা সমাধানৰ দক্ষতাৰ ভিত্তিত, এজনে এইবোৰ দক্ষতা আন পৰিস্থিতিলৈ স্থানান্তৰ কৰিব পাৰে (যিকোনো ধাৰণা শিকি) এইটো শিক্ষাৰ্থীৰ অতীত ধাৰণাৰ অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত নহয়। কিন্তু ১৯৮০ চনৰ গৱেষণাৰ মতে সমস্যা সমাধান পদ্ধতি বেছি ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত নাইবা পৰিস্থিতি সাপেক্ষ। সেইবাবে সমস্যাৰ সমাধান পৰিস্থিতি অথবা ধাৰণাৰ ওপৰতহে হ'ব পাৰে। সমস্যাৰ প্ৰকৃতি এটাৰ ধাৰণাৰ পৰা আনটোতকৈ পৃথক হ'ব পাৰে। ১৯৮৩, মেয়েৰে সমস্যা সমাধানৰ সংজ্ঞা প্ৰদান কৰিছিল যে এইটো এটা বহুখলপীয়া স্তৰ য'ত সমস্যা সমাধানকাৰীয়ে পূৰ্ব অভিজ্ঞতা আৰু সমস্যাৰ সম্পৰ্ক ব্যাখ্যা কৰে আৰু সমস্যা এফালে হাতত লৈ সমাধান পোৱাৰ চেষ্টা কৰে।

এটা সঘনাই ব্যৱহাৰ কৰা সমস্যা সমাধানৰ আৰ্হি তলৰ চিত্ৰত দেখুওৱা হ'ল—




চিত্ৰ ৩.৩ সমস্যা সমাধান প্ৰক্ৰিয়াৰ আৰ্হি

এই আৰ্হিটোৱে তিনিটা সংজ্ঞাত্মক কাৰ্য্য সমস্যা সমাধান প্ৰক্ৰিয়াৰ চিনাক্তকৰণ কৰে।

- সমস্যাৰ পুনঃউথাপন (i) পূৰ্বৱৰ্তী জ্ঞান আহৰণ কৰা আৰু (ii) লক্ষ্যৰ চিনাক্তকৰণ আৰু সমস্যাৰ আৰম্ভণিৰ চৰ্ত উলিওৱা।
- সমাধানৰ বিচাৰকৰণ লক্ষ্যৰ উথাপন সন্নিবিষ্ট কৰে। (বিকল্প সমাধান/চৰ্ত) আৰু পৰিকল্পনা

কাৰ্য্যৰ লক্ষ্যৰ বিকাশ সাধনত সহায় কৰে।

- সমাধানৰ ফলৱতীকৰণে অন্তৰ্ভুক্ত কৰে (i) পৰিকল্পনা কাৰ্য্যৰ প্ৰস্তুতি আৰু (ii) ফলাফলৰ মূল্যায়ন।

শ্ৰেণী শিক্ষক হিচাপে, যেতিয়া সমস্যা সমাধান পদ্ধতিক অনুগামী কৰা হয়, তেতিয়া তলত দিয়া স্তৰবোৰ চোৱা হয়।

- সমস্যাৰ চিনাক্তকৰণ
- বতৰাৰ উপযুক্ত ব্যৱহাৰ কৰা বিভিন্ন উৎসৰ পৰা অহা যাতে সমস্যা আৰু ইয়াৰ সমস্যাৰ মূল কাৰণবোৰ ভালদৰে বুজি উঠিব পৰা যায়।
- বিকল্প সমাধান বিচাৰকৰণ।
- বিকল্পৰ সবলতা আৰু দুৰ্বলতা মূল্যায়ন কৰা, প্ৰস্ফূতিত সাৱধানতা আৰু লাভ আৰু চমু আৰু দীঘলীয়া পৰিস্থিতি বিচাৰকৰণ কৰা।
- এটা বিকল্প নিৰ্বাচন কৰা য'ত আটাইতকৈ উপযুক্ত লক্ষ্য, ধাৰণা আৰু উপযুক্ত উপাদান থাকে।
- সমাধান বা বিচাৰৰ ফলপ্ৰসূতাৰ বাবে মূল্যায়নৰ চৰ্ত স্থাপন কৰা।

| |
|---|
| **কাৰ্য্য ১০ ঃ** যিকোনো এটা বিষয়ৰ এটা ধাৰণা তুমি শ্ৰেণীকোঠাত শিকাবৰ বাবে নিৰ্বাচন কৰা আৰু পৰিকল্পনাৰ বিকাশ কৰা সমস্যা সমাধান পদ্ধতিৰ। |

সমস্যা সমাধান পদ্ধতিত বিমূৰ্ত চিন্তা ধাৰণা, যুক্তিকৰণ আৰু কিছুমান দক্ষতাৰ পাৰদৰ্শিতা, দক্ষতা আৰু মনোভাব অন্তৰ্ভুক্ত কৰে। তুমি তেনেকুৱা পৰিস্থিতি আৰু কাৰ্য্য প্ৰদান কৰিব লাগে য'ৰ পৰা সমস্যাৰ সৃষ্টি হয়। এইটোৱে এটা উপযুক্ত প্ৰক্ৰিয়া সমস্যা সমাধানৰ বাবে অন্তৰ্ভুক্ত কৰে, ইয়াৰ সমাধানৰ বাবে আগমনাত্মকভাৱে উলিয়াই আৰু শেষত নিগমাত্মক ধাৰণাৰ দ্বাৰা সৰ্বসাধাৰণীকৰণ কৰা হয়। যিহেতু এই পদ্ধতিত প্ৰস্ফুতিত চিন্তাধাৰা আৰু বিচাৰকৰণৰ ব্যৱহাৰৰ বাবে তলৰ শ্ৰেণীৰ বাবে ব্যৱহাৰ যোগ্য নহয়।

**৩.৪.৪ অন্বেষণ পদ্ধতি ঃ**

এই পদ্ধতিটোক হিউৰিষ্টিক পদ্ধতি বুলিও জনা যায়। হিউৰিষ্টিক শব্দটো গ্ৰীক শব্দৰ পৰা 'হিউৰেচিকাৰ'পৰা উৎপত্তি হৈছে যাৰ অৰ্থ হৈছে 'বিচাৰি উলিওৱা' এইটোক সেইবাবে 'বিচাৰকৰণ পদ্ধতি' বুলিও জনা যায়।

প্ৰফেছাৰ হেনৰি্ ইডৱাৰ্ড আৰ্মষ্ট্ৰঙৰ মতে যিজনে এই পদ্ধতিটো শিক্ষা বিজ্ঞানত ব্যৱহাৰ কৰিছিল "হিউৰিচটিক পদ্ধতি এটা শিক্ষণ পদ্ধতি যিটোৱে আমাৰ শিশুৰ স্থান অন্তভূৰ্ত কৰে সাধ্যক্ৰমে মনোভাৱৰ আৱিষ্কাৰৰ দ্বাৰা"। এইটো এনেকুৱা এটা পদ্ধতি যাৰ দ্বাৰা শিশুৱে নিজে আৱিষ্কাৰ আৰু বিচাৰকৰণ কৰে। সিহঁতক আৱিষ্কাৰকৰ স্থানত ৰখা হয়। তুমি শিক্ষাৰ্থীক সমস্যাৰ সমাধান উলিওৱাত

অন্তৰ্ভুক্ত কৰিব লাগে বক্তৃতা দিয়াৰ আৰু কোৰাৰ পৰিৱৰ্তে। সমস্যাবোৰ শিক্ষাৰ্থীক প্ৰদান কৰা হয়। শিক্ষাৰ্থীবোৰে নিৰ্দেশ অনুসাৰে নিৰীক্ষণ আৰু পৰীক্ষা অনুষ্ঠিত কৰিব লাগে। সামৰণি শিক্ষাৰ্থীৰ দ্বাৰা প্ৰদান কৰা হয় আৰু সেয়েহে সিহঁতে যুক্তিকৰণ দক্ষতাবোৰ নিজৰ নিৰীক্ষণ আৰু পৰীক্ষাৰ দ্বাৰা আৰম্ভ কৰে।

অন্বেষণ পদ্ধতিৰ স্তৰবোৰ হ'ল—

(১) সমস্যাৰ চিনাক্তকৰণ

(২) পৰীক্ষাকৰণ আৰু নিৰীক্ষণ

(৩) সমস্যা সমাধান

(৪) মূল্যায়ন

শ্ৰেণীকক্ষৰ এটা পৰিস্থিতি তলত দিয়া পদ্ধতিৰ দ্বাৰা নিৰীক্ষণ কৰা হ'ল।

**পৰিস্থিতি ১২ ঃ**

মিনাক্ষীয়ে চতুৰ্থ শ্ৰেণীৰ পৰিবেশ অধ্যয়নৰ "পৰিৱৰ্তন হৈছে বিষয়বস্তু" শিকাইছিল। পাঠটোৰ লক্ষ্য আছিল "শিক্ষাৰ্থীয়ে যাতে শিকে যে গোটা বস্তু পনীয়ালৈ আৰু পনীয়া গেছলৈ ৰূপান্তৰিত হয় তেতিয়া গৰম পায়"।

তেওঁ এনেদৰে আগবাঢ়ে—

● পাঠটোৰ বাবে প্ৰস্তুতি ঃ তেওঁ মমবাতি, চেনি, শিল, নিমখ, এলুমিনিয়ামৰ থালি, পানী, কেৰাচিন, পে'ট্ৰোল, ফোপোলা মাৰি, কৰ্পূৰ, কাঠৰ টুকুৰা আৰু মাখন সংগ্ৰহ কৰে। তেওঁ শিক্ষাৰ্থীক ওপৰত উল্লেখ কৰা যিকোনো এটা পদাৰ্থ নিৰ্বাচন কৰিবলৈ কয় আৰু বৰ্তমান পৰিস্থিতিত থকা তাৰ নামটো টোকা কৰি ৰাখিবলৈ কয়।

● সমস্যাৰ চিনাক্তকৰণ ঃ তেওঁ প্ৰশ্ন উত্থাপন কৰিছিল নিৰ্বাচিত সামগ্ৰীটো এটা পৰিস্থিতিৰ পৰা আন এটালৈ পৰিবৰ্তন হ'ব নে নাই।

● শিক্ষাৰ্থীৰ কাৰ্য্য ঃ (পৰীক্ষাৰ দ্বাৰা আৰু নিৰীক্ষণ) এডাল মমবাতি টেবুলত জ্বলোৱা হ'ল প্ৰয়োজনীয় সামগ্ৰীৰ দ্বাৰা। প্ৰত্যেক শিক্ষাৰ্থীয়ে সামগ্ৰীবোৰ গৰম কৰি ফলাফলবোৰ ৰাু পৰিৱৰ্তনবোৰ বহীত টুকি থ'লে। উদাহৰণস্বৰূপে ঃ

—ৰীমায়ে মমবাতি এডাল গৰম কৰি চালে যে গোটা টুকুৰাটো জলীয় পদাৰ্থলৈ ৰূপান্তৰিত হৈছে আৰু গৰমৰ পৰা আঁতৰাই অনাৰ পিছত আকৌ গোটা পদাৰ্থলৈ ৰূপান্তৰিত হৈছে।

— মহাশয় সন্তোষে কিছু টোপাল পানী এলুমিনিয়ামৰ থালত মমবাতিৰে গৰম কৰোতে চালে যে পানী গৰম হৈ গেছলৈ ৰূপান্তৰিত হ'ল।

— মহাশয় ৰামে দিয়াচলাইৰ ঠাৰি জ্বলাই দিয়াৰ লগে লগে গেছলৈ ৰূপান্তৰিত হৈ গ'ল।

● **সামৰণিৰ উপস্থাপন (সমস্যা সমাধান) ঃ** মহাশয়া মিনাক্ষীয়ে প্ৰত্যেক শিক্ষাৰ্থীক সিহঁতৰ ফলাফল আৰু নিৰীক্ষণবোৰ পঢ়ি আৰু টোকা হিচাপত ৰাখিব দিয়ে, কোনটো বিভিন্ন বস্তু কিহলৈ ৰূপান্তৰিত হৈছে যেতিয়া গৰম কৰা হয়। তেওঁ তালিকা ব্লেকব'ৰ্ডত অংকন কৰে/চিত্ৰ অংকন কৰা কাগজত তলত শিক্ষাৰ্থীৰ নিৰীক্ষণবোৰ দেখুওৱা হয়—

| ক্ৰমিক নং | বস্তুৰ নাম | বস্তুৰ পৰিস্থিতি গৰম কৰাৰ আগত | বস্তুৰ পৰিস্থিতি গৰম কৰাৰ পিছত | পৰিৱৰ্তিত পৰিস্থিতি |
|---|---|---|---|---|
| | | | | |
| | | | | |
| | | | | |

তেতিয়া তেওঁ শিক্ষাৰ্থীক সামৰণিৰ পৰা পোৱা পৰিৱৰ্তনৰ পৰিস্থিতিৰ বিষয়ে সোধে যে বিভিন্ন সামগ্ৰীবোৰ গৰম কৰাৰ পিছত তালিকাত অন্তৰ্ভুক্তিবোৰ নিৰীক্ষণ কৰি।

ওপৰোক্ত তালিকাৰ পৰা, শিক্ষাৰ্থীয়ে শিকে যে উষ্ণতাৰ প্ৰয়োজন হয় এটা পদাৰ্থক এটাৰ পৰা পৰা আন এটা পৰিস্থিতিলৈ ৰূপান্তৰ কৰাত।

**মূল্যায়ন ঃ** মহাশয়া মিনাক্ষীয়ে সৰু কাগজৰ টুকুৰাত বিভিন্ন বস্তুৰ নামবোৰ লিখিছিল। তেওঁ পৰিষ্কাৰকৈ কাগজৰ টুকুৰাবোৰ মেৰাই মেজৰ ওপৰত ৰাখিছিল। প্ৰত্যেক শিক্ষাৰ্থীক এটা টুকুৰা নিৰ্বাচন কৰিবলৈ দিয়া হৈছিল। আৰু বস্তুটোৰ নাম চিঞৰি উচ্চাৰণ কৰিবলৈ দিছিল আৰু তাৰ বৰ্তমান পৰিস্থিতি আৰু পৰিৱৰ্তিত পৰিস্থিতিৰ বিষয়ে উষ্ণতা পালে হোৱা পৰিৱৰ্তনৰ বিষয়ে পঢ়িবলৈ দিছিল।

ওপৰোক্ত পৰিস্থিতিৰ পৰা অন্বেষণ পদ্ধতিৰ কিছুমান বৈশিষ্ট্য চিনাক্তকৰণ কৰা।

অন্বেষণ পদ্ধতিৰ বৈশিষ্ট্যসমূহ ঃ

- এটা সমস্যাৰ উদ্দেশ্যসহ শ্ৰেণীকোঠাত উপস্থাপন কৰা হয় আৰু প্ৰত্যেক শিশুকে তাৰ সমাধান উলিয়াবৰ বাবে দায়িত্ববোধ অনুভৱ কৰোৱা হয়।
- প্ৰত্যেক শিশুৱে বিভিন্ন উৎসৰ পৰা বিভিন্ন বতৰা সমস্যা সম্পৰ্কে সংগ্ৰহ কৰে। সিহঁতে মুক্তভাৱে এই নিজৰ সমস্যা সম্পৰ্কে নিজৰ সহপাঠী আৰু শিক্ষকৰ লগত আলোচনা কৰে।
- শিক্ষাৰ্থীয়ে শিক্ষকৰ পৰা নিৰ্দেশনা বিচাৰে।
- যেতিয়া শিক্ষাৰ্থীয়ে প্ৰয়োজন অনুভৱ কৰে তেতিয়াই সহায় আগবঢ়োৱা হয়। কিন্তু শিক্ষকে আগমন পদ্ধতিৰ দ্বাৰা সকলোখিনি উলিয়াই অনাৰ চেষ্টা কৰে।
- শিক্ষকৰ নিজা নিৰীক্ষণৰ পৰা বহুতো প্ৰশ্ন উদ্ভাৱন হয় বা হোৱাৰ সম্ভাৱনা থাকে আৰু সময় সাপেক্ষে শিক্ষকেও শিক্ষাৰ্থীকে এটা বিশেষ সমস্যাৰ বিষয়ে জনাৰ বাবে প্ৰশ্ন উত্থাপিত কৰি উৎসাহিত কৰিব পাৰে।

এইদৰে নিৰীক্ষণ, পৰীক্ষাকৰণ আৰু মুক্তিকৰণ আদি শক্তিৰ দ্বাৰা শিক্ষাৰ্থীৰ বিকাশ হয়। সিহঁতে

তথ্য সংগ্ৰহ, তথ্যৰ বিভাজন, সমস্যাৰ যুক্তিমূলক সমাধান আৰু অৱশেষত সামৰণিত আহিবলৈ শিকে।

এই পদ্ধতি ব্যৱহাৰ কৰিব পাৰি যেতিয়া শিশুৱে কাৰণ উদ্ভাৱন কৰিবলৈ শিকে।

E. ৭ ঃ অন্বেষণ পদ্ধতিৰ যিকোনো চাৰিটা সুবিধা উল্লেখ কৰা।

অন্বেষণ পদ্ধতি ব্যৱহাৰত সন্মুখীন হোৱা অসুবিধাসমূহ হ'ল—

- প্ৰত্যেক শিক্ষাৰ্থীয়ে শিক্ষণ আৰু শিকণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব নোৱাৰে।
- বহুত কম সংখ্যকে সিহঁতক দিয়া সমস্যাৰ ওপৰত প্ৰশ্ন সুধিব পাৰে।
- কেতিয়াবা শিক্ষাৰ্থীয়ে প্ৰশ্ন সোধা বন্ধ কৰিব পাৰে।
- কেতিয়াবা শিক্ষাৰ্থীয়ে কিছুমান সামগ্ৰী সংগত সৰঞ্জামৰ প্ৰয়োজন অনুভৱ কৰে।
- কেতিয়াবা শিক্ষাৰ্থীৰ আচবাব/সঁজুলি আদিৰ প্ৰয়োজন হ'ব পাৰে।
- কেতিয়াবা শিক্ষাৰ্থীয়ে সমস্যাৰ যুক্তিসংগত উপস্থাপন নকৰিব পাৰে।

E. ৮ ঃ অন্বেষণ পদ্ধতিৰ ওপৰত তলত উল্লেখ কৰা কিছুমান যুক্তি উল্লেখ কৰা। শুদ্ধ উত্তৰৰ বিপৰীত শুদ্ধ আৰু ভুলৰ বিপৰীতে ভুল দিয়া তোমাৰ পছন্দ মতে।

(১) অন্বেষণ পদ্ধতিত নিৰীক্ষণ আৰু যুক্তিসংগত শক্তিৰ ওপৰত বেছি গুৰুত্ব দিয়া হয়।

(২) তলৰ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে এই পদ্ধতি উপযুক্ত।

(৩) সহ শিক্ষাৰ্থী হিচাপে শিক্ষকে আচৰণ কৰে।

(৪) ঘৰুৱা কামৰ প্ৰয়োজনীয়তা নাই।

(৫) শিক্ষাৰ্থীয়ে আনুষ্ঠানিকভাৱে এই পদ্ধতিত শিকে।

(৬) শিক্ষণ চিৰস্থায়ী হয়।

(৭) আত্ম কাৰ্য্য আৰু আত্ম নিৰ্ভৰশীলতাৰ অভ্যাস জন্মে।

**৩.৫ সামৰণি মাৰো আহক ঃ**

- শিক্ষণৰ দিশ হৈছে পদ্ধতি। উপযুক্ত শিক্ষণ নিৰ্ভৰ কৰে শিশুৰ ক্ষেত্ৰত শিক্ষকে গ্ৰহণ কৰা পদ্ধতিত।
- শিক্ষণ আৰু শিক্ষাদান পদ্ধতিত ব্যৱহাৰ কৰা দুটা প্ৰকাৰ হ'ল— নিৰ্দেশাত্মক পদ্ধতি আৰু শিক্ষাৰ্থীকেন্দ্ৰিক পদ্ধতি।
- নিৰ্দেশাত্মক পদ্ধতি শিক্ষকৰ দ্বাৰা নিৰ্দেশিত, আনহাতে শিক্ষাৰ্থীকেন্দ্ৰিক পদ্ধতি শিক্ষাৰ্থীৰ দ্বাৰা নিয়ন্ত্ৰিত।
- বক্তৃতা প্ৰামাণিকতা আৰু আগমন-নিগমন আদি নিৰ্দেশাত্মক পদ্ধতিৰ উদাহৰণ।

- খেলা পদ্ধতি, প্ৰকল্প, সমস্যা সমাধান আৰু অন্বেষণ পদ্ধতি আদি শিক্ষাৰ্থীকেন্দ্ৰিক পদ্ধতিৰ উদাহৰণ।
- বক্তৃতা পদ্ধতি শিক্ষকে তথ্য বিশ্লেষণ কৰে, বতৰা, নীতি, ধাৰণা ইত্যাদি, নিতাৰ সুবিধা মতে শিক্ষকে কোৱা কথাখিনিৰ প্ৰতি শিক্ষাৰ্থী মনোযোগী আৰু বোধগম্য হয় নে নহয় সেইটো নিশ্চিত নহয়।
- আগমন পদ্ধতিত বিশেষৰ পৰা সৰ্বসাধাৰণলৈ, মূৰ্তৰ পৰা বিমূৰ্ত কিন্তু নিগমন পদ্ধতিত সাধাৰণৰ পৰা বিশেষলৈ আৰু বিমূৰ্তৰ পৰা মূৰ্তলৈ যোৱা যায়।
- প্ৰামাণিকৰণ পদ্ধতিত শিক্ষকে পৰীক্ষাটো সম্পাদন কৰে নাইবা চিত্ৰ, আৰ্হি আদি দেখুৱাই শ্ৰেণীকক্ষত ব্যাখ্যা কৰে।
- শিশুৱে বিভিন্ন ধাৰণা খেলৰ মাজেৰে শিকে। শিক্ষকে এনেদৰে তেনেকুৱা ধাৰণা অনুষ্ঠিত কৰিব লাগিব যাতে শিশুৱে খেলৰ মাজেৰে অনানুষ্ঠানিকভাৱে তেনেকুৱা ধাৰণা নিগাজিকৈ শিকিব পাৰে।
- প্ৰকল্প পদ্ধতিত শিক্ষকে শিক্ষাৰ্থীকে এটা পৰিস্থিতি প্ৰদান কৰে যাতে সেই পৰিস্থিতিত প্ৰকল্পটো নিৰ্বাচন কৰে আৰু সিহঁতে পৰিকল্পনা, মূল্যায়ণ, বিচাৰকৰণ কৰিব পাৰে প্ৰকল্পটো আৰু শেষত তেওঁ এটা যাতে প্ৰকল্পৰ ওপৰত ফলাফল প্ৰস্তুত কৰিব পাৰে।
- সমস্যা সমাধান পদ্ধতিত শিক্ষকে সমস্যা সমাধান কৰা ধাৰণাৰ ওপৰত শিক্ষাৰ্থীক প্ৰশ্ন সোধে। সিহঁতে সমস্যা সমাধান কৰে তথ্য সংগ্ৰহ কৰি, তথ্যৰ উপস্থাপন কৰি, তথ্যৰ প্ৰমাণিকৰণ কৰি আৰু সামৰণিৰ দৃষ্টিপাত কৰি। এই পদ্ধতিত চিন্তাৰ প্ৰতিফলন আৰু যুক্তিসংগত তথ্য অন্তৰ্ভুক্ত যিটো ওপৰ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে উপযোগী।
- অন্বেষণ পদ্ধতি প্ৰয়োগ কৰা হয় যেতিয়া শিক্ষাৰ্থীয়ে কোনো এটা সমস্যাৰ বিজ্ঞানসন্মত কাৰণ উলিয়াব লগা হয়। শিক্ষকে শিক্ষাৰ্থীক সমস্যাটো দিয়ে আৰু শিক্ষাৰ্থীয়ে তথ্য সংগ্ৰহ কৰে বিভিন্ন প্ৰশ্ন উত্থাপন কৰি নাইবা বিভিন্ন সংলগ্ন সামগ্ৰীৰ দ্বাৰা, তথ্যৰ বিশ্লেষণ কৰি, তথ্যৰ উপস্থান আৰু সামৰণিত উপস্থিত হৈ সমস্যাৰ সমাধান উলিয়াবৰ চেষ্টা কৰে।
- এটা ধাৰণা ব্যক্তিগতভাৱে বিভিন্ন ধৰণে শিকাব পাৰি, কিছুমান ধাৰণা শিকাব পাৰি বিভিন্ন পদ্ধতিৰ সংযোগ কৰি অনুক্ৰমে।

**৩.৬ উত্তৰৰ আৰ্হিত আপোনাৰ অগ্ৰগতিৰ খতিয়ান লওঁক**

E. ১ ঃ কেতিয়া সা-সামগ্ৰীবোৰ ব্যক্তিৰ পৰীক্ষাৰ বাবে প্ৰয়োজনীয় নহ'ব, পৰীক্ষা সমস্যাবহুল আৰু পৰীক্ষা কম সময়ৰ বাবে হ'লে।

| আগমন পদ্ধতি | নিগমন পদ্ধতি |
| --- | --- |
| এইটো বিশেষৰ পৰা সাধাৰণলৈ, মূৰ্তৰ পৰা বিমূৰ্তলৈ যায়। | এইটো সাধাৰণৰ পৰা বিশেষলৈ বিমূৰ্তৰ পৰা মূৰ্তলৈ যায়। |
| এইটোৱে শিশুৰ প্ৰয়োজন আৰু আগ্ৰহৰ ওপৰত যত্ন লয়। এইটো এটা বিকাশগ্ৰত প্ৰক্ৰিয়া। | শিশুক উপযুক্ত তথ্যৰ বতৰা নীতি আৰু তত্ত্ব সমূহ দিয়া হয়। |
| এইটোৱে আৱিষ্কাৰ আৰু চিন্তাধাৰাক উৎসাহিত কৰে। | এইটোৱে প্ৰকৃত জীৱনৰ নিৰীক্ষণ আৰু অৰ্জিত জ্ঞানৰ মাজত সংযোগ স্থাপন কৰে। |

তুমি পদ্ধতিবোৰ কিতাপত থকাৰ দৰে ব্যাখ্যা কৰা আৰু পাৰ্থক্যবোৰ লিখা।

E. ৩ (a) D, (b) (I), c (I), (d) I, (e) D, (f) I

E. ৪ দায়িত্ববোধৰ নীতি।

E. ৫ খেলা হৈছে শিশুৰ প্ৰাকৃতিক প্ৰবৃত্তি, খেলাই শিশুক আনন্দ দিয়ে।

E. ৬ (i) এইটো পাঠ্যক্ৰমৰ প্ৰত্যেক বিষয়ৰ ধাৰণাত প্ৰদান কৰা সম্ভৱ নহয়।

(ii) এইটো এজন সাধাৰণ শিক্ষকৰ বাবে প্ৰকল্প এটা পৰিকল্পনা কৰা আৰু শিক্ষাৰ্থীৰ যোগদান কৰা সম্ভৱ নহয়।

(iii) অভিজ্ঞতা/জ্ঞান আহৰণত প্ৰকল্প পদ্ধতিত উপযুক্ত সমন্বয়ৰ অভাৱ।

E. ৭ তলৰ যিকোনো ৪টা।

— এইটোৱে শিক্ষাৰ্থীৰ বিজ্ঞানসন্মত আৰু আলোচনাত্মক মনোভাৱৰ বিকাশ কৰে।

— এইটোৱে ধৈৰ্য্য সহকাৰে পৰীক্ষাকৰণ, নিৰীক্ষণ, আৰু পৰীক্ষাৰ উপস্থাপন, পৰিষ্কাৰ, পৰিচ্ছন্নভাৱে আৰু দায়িত্ববানভাৱে নিয়াত সহায় কৰে।

— এইটোৱে আত্ম চেষ্টা, আত্ম বিশ্বাস, আত্ম অনুভূতি আৰু আত্ম উপলব্ধিকৰণত সহায় কৰে।

— এই পদ্ধতিটোৱে উপযুক্ত প্ৰশিক্ষণ দিয়ে জীৱনৰ বাবে।

— যিহেতু শিক্ষাৰ্থীয়ে নিজৰ প্ৰচেষ্টাৰ দ্বাৰা শিকে, সেইবাবে শিক্ষণ বেছি ফলপ্ৰসু আৰু চিৰস্থায়ী হয়।

**৩.৭ পৰামৰ্শমূলক পঠন আৰু প্ৰসংগপুথি**

(১) Modern Science teaching by R.C.Sharma. Dhanpat Rai & Sons New Delhi

(২) Teaching of Science– M.S Yadav Anmol Publications New Delhi

(৩) Teaching of Mathematics– Chitrangada Singh. R.P.Rohatagi Dominent Publishers & Distributons, New Delhi

(৪) Insenice Teacher Education Paeuage Vol-1 Pre Primary School Teachers, NCERT.

(৫) Mayer. R (১৯৮৩). Thinking, Problem Solving Cognition W.H. Freeman and Company, New York

**৩.৮ গোট সমাপ্তিৰ অনুশীলনী**

(১) তলত দিয়া পদ্ধতিটোৰ নাম কি

(a) কোনটো পদ্ধতিত শিক্ষাৰ্থীয়ে কাৰণ বিচাৰি পায় প্ৰশ্ন সুধি।

(b) কোনটো পদ্ধতিত শিক্ষাৰ্থীয়ে এটা উদ্দেশ্যপূৰ্ণ কাৰ্য্য কৰে প্ৰাকৃতিক পৰিবেশত।

(c) কোনটো পদ্ধতিত সৰ্বসাধাৰণীকৰণ উদাহৰণ দিয়া হয়।

(d) কোনটো পদ্ধতিত শিক্ষকে এটা পৰীক্ষা সম্পাদন কৰে আৰু ব্যাখ্যা কৰে।

(e) কোন পদ্ধতিত শিক্ষকে নিজৰ সুবিধামতে তথ্য আৰু ধাৰণা আদিৰ ব্যাখ্যা কৰে।

(২) নিৰ্দেশাত্মক আৰু শিক্ষাৰ্থীকেন্দ্ৰীক পদ্ধতিত শিক্ষক আৰু শিক্ষাৰ্থীৰ ভূমিকাৰ বিষয়ে লিখা।

(৩) ধৰা হ'ল তুমি এটা ধাৰণা বক্তৃতা পদ্ধতিৰ দ্বাৰা শিকাব লগা হ'ল, তুমি কেনেকৈ নিজকে ফলপ্ৰসু আৰু আগ্ৰহান্বিত শিক্ষণৰ বাবে প্ৰস্তুত কৰিবা।

(৪) প্ৰকাশ পদ্ধতিৰ গুণ আৰু সীমাবদ্ধতাবোৰ লিখা।